# Assam Legislative Assembly Debates

## *OFFICIAL REPORT*

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**THIRD SESSION**

**VOL. III**

No. 14

**The 23 rd September, 1983**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1990*

# Assam
# Legislative Assembly
# Debates

*OFFICIAL REPORT*

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**THIRD SESSION**

**VOL. III**

No. 14

**The 23 rd September, 1983**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1990*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

( *Third Session* )

Vol. III

No. 14

**Dated the 23rd September, 1983**

Contents


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Announcement from the Chair | 68 |
| 3. | Calling Attention | 69 |
| 4. | Report of the Business Anvisory Committee | 71 |
| 5. | Private Members' Resolution | 72 |
| 6. | Government Resolution | 74 |
| 7. | Adjournment | 92 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday the 23rd September, 1983 with the Hon. Speaker in the Chair, 15 ( Fifteen ) Ministers, 5 ( Five ) Ministers of State, 4 ( Four ) Deputy Ministers, 1 ( one ) Parliamentary Secretary and 60 ( Sixty ) Members present.

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

Date : 23rd September, 1983

Starred question No. 150 was not taken up member being absent.

### বিঃ গোৱালপাৰা ফৰেষ্ট ডিভিজন

শ্ৰীমহম্মদ আলিয়ে সুধিছে :

*১৫১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮০,১৯৮১ আৰু ১৯৮২ চনত "গোৱালপাৰা ফৰেষ্ট ডিভিজনৰ" পৰা কিমানজন ঠিকাদাৰে কিমান কিউবিক মিটাৰ কাঠ কিনিছিল ?

(খ) উক্ত ঠিকাদাৰ সকলক "ৰেলৱে স্লিপাৰ" যোগান ধৰা বাবে আদেশ দিয়া হৈছিলনে ?

(গ) যদি স্লিপাৰ যোগানৰ আদেশ দিয়া হৈছিল, তেন্তে কিমানজনক দিয়া হৈছিল ?

(ঘ) যদি আদেশ দিয়া নাই তেন্তে তাৰ কাৰণ কি ?

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৫১। (ক)—১৯৮০ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈ ৫০ জন ঠিকাদাৰে ২৫৯২ কিউবিক মিটাৰ "গোট" কাঠ কিনিছিল আৰু ১৯৮০ চনৰ পৰা ১৯৮১ চনৰ অক্টোবৰ মাহৰ ভিতৰত ২৩ জন ঠিকাদাৰে ২৫২০·৭৭৯ কিউবিক মিটাৰ কোপৰ কাঠ কিনিছিল ।

১৯৮১ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত ৭২ জন ঠিকাদাৰে ৫৭৫৫ কিউবিক মিটাৰ "গোট" কাঠ আৰু ১৯৮২ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত ১৫০ জন ঠিকাদাৰে ৭৯০২ কিউবিক মিটাৰ "গোট" কাঠ কিনিছিল ।

(খ) হয়, হৈছিল । ১৯৮০ চনৰ নবেম্বৰ মাহৰ পৰা ১৯৮১ চনৰ অক্টোবৰ মাহলৈকে কোপ পোৱা লোক সকলক আৰু জব্দ কৰি নিবিদা পদ্ধতিৰে

বিক্ৰি কৰা কাঠ কিনা ঠিকাদাৰ সকলক "ৰেলৱে স্লিপাৰ" যোগান ধৰিব কাৰণে আদেশ দিয়া হৈছিল।

১৯৮১ চনৰ নবেম্বৰৰ পৰা ১৯৮২ চনৰ অক্টোবৰ মাহলৈকে অকল কোপৰ গৰাকীকহে পূৰ্ব্বৰ কোপ বন্দৱস্তী মতে কোপৰ পৰা "ৰেলৱে স্লিপাৰ" যোগান ধৰাৰ আদেশ দিয়া হৈছিল।

(গ)—১৯৮০-৮১ আৰু ১৯৮১-৮২ চনৰ ভিতৰত মুঠতে ৯৪ জন ঠিকাদাৰে "ৰেলৱে স্লিপাৰ" যোগান ধৰিবলৈ আদেশ দিয়া হৈছিল। কিন্তু ১৯৮২-৮৩ চনৰ ভিতৰত কোনো ঠিকাদাৰকেই "ৰেলৱে স্লিপাৰ" যোগান ধৰিবলৈ কোৱা হোৱা নাছিল।

(ঘ)—বন পৰিকল্পনা বিধান (working plan prescription) অনুসৰি গোৱালপাৰা বন সংমণ্ডল অঞ্চলত আৰু গছ কাটিব দিব পৰা নহয় আৰু ইতিমধ্যে ৰেইল বিভাগে অসমৰ পৰা স্লিপাৰ যোগানৰ পৰিমাণ কমাই দিয়াত আন অঞ্চলৰ পৰা যোগান ধৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীমহম্মদ আলি—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে শেষৰফালে গোৱালপাৰাৰ কাঠৰ ঠিকাদাৰ সকলক স্লিপাৰ যোগান ধৰিবলৈ আদেশ দিয়া হোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আগৰ সময় চোৱাত কাঠ কিনিলে আৰু যোগানো ধৰিলে ১৯৮২ চনত যি সকলে কাঠ কিনিলে তেওঁলোকক স্লিপাৰ যোগান ধৰিবলৈ আদেশ দিয়া নাই, গতিকে তেওঁলোকে চৰকাৰৰ পৰাই কাঠ কিনিছিল সেয়ে তেওঁলোকক স্লিপাৰ যোগান ধৰিবলৈ আদেশ দিয়াৰ বিবেচনা কৰিব নে?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—তেওঁলোকৰ কথা বিবেচনা কৰা হোৱা নাই।

শ্ৰীমহম্মদ আলি—ভৱিষ্যতে বিবেচনা কৰিব নে?

শ্ৰীধনী ৰাম ৰংপী—প্ৰয়োজন অনুভৱ কৰিলে বিবেচনা কৰা হব।

Re : Atrocities by Police

Shri Durgeswar Patir asked :

*152. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the O. C. Dhakuakhana Shri Chandra Das and Chaudang Baruah, S. I. are terrorising the public arresting innocent persons from the streets, Bazars etc. for the last 3/4 months ?

(b) If so, the steps taken by Government in this regard ?

Shri Hiteswar Saikia (Chief Minister) replied :

152. (a)—Government have not yet received any allegations of terrorising the public by Shri Chandra Das, O. C. Dhakuakhana P. S. so far. There is no S. I. of police named Choudang Baruah in Lakhimpur D. E. F. and posted to Dhakuakhana P. S.

(b)—In view of reply (a) above. question of taking steps at this stage does not arise. However, the matter is being enquired into.

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—যোৱা ১৪ আগষ্ট তাৰিখে এই চন্দ্ৰ দাস নামৰ ওছি জনে আমাৰ কংগ্ৰেছ পাৰ্টিৰে এজন কাউন্সিলৰক দিন দুপৰতে বাজ আলিত মাৰধৰ কৰা কথাটো মুখ্য মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এচ পিৰ পৰা তেনেকুৱা কোনো

ৰিপোৰ্ট অহা নাই।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—অধ্যক্ষ মহোদয়, ঢকুৱাখানাৰ পুলিচৰ কাৰ্য্যকলাপৰ বিৰুদ্ধে ইতিমধ্যে মই নিৰ্বাচনৰ পাচতে মুখ্যমন্ত্ৰীক ৰিপোৰ্ট দাখিল কৰিছিলো, এতিয়ালৈকে তাৰ কোনো একচন হোৱা নাই। মুখ্যমন্ত্ৰী মহোদয়ে তৎকালিনভাবে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, কেতবোৰ ব্যৱস্থা লোৱা হৈছে, সালসলনি কৰা হৈছে আৰু নতুনকৈ কিবা অভিযোগ আহিলে নিশ্চয় বিবেচনা কৰিম।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—আৰচন এফেক্টেদৰ সময়ত নেপালি পৰিয়ালৰ ছোৱালী এজনীক কাড় মাৰিছিল আৰু লগতে তেওঁৰ পত্নী ইন্দু....

মাননীয় অধ্যক্ষ—আগৰ প্ৰশ্নটোৰ লগত এইটোৰ সম্পৰ্ক নাই। এইটো পৰিপূৰক প্ৰশ্ন হব নোৱাৰে।

Starred question No. 153 was not put member being absent.

## Re : Collection of Premium

Shri Hemen Das asked :

*154. Will the Minister, Revenue be pleased to state—

(a) Is it a fact that in 1971-72 Government collected premium @ Rs. 20.00 (Rupees twenty) only per bigha

from the people of village Bhabanipur 'B' Block Anandapur 'C' Block and Lakhipur 'A' Black of Uttar Baska Mauza under Baska Circle, Masalpur of Kamrup District.

(b) If so, the total amount collected in the said period?

(c) The purpose of collecting the above premium?

Shri Keshab Chandra Gogoi ( Minister, Revenue ) replied ;

154. (a)—Yes, it is a fact that Rs. 20.00 per bigha was realised from the occupants of land (Sarkari) in A. B. C. Blocks within Baska Circle (the then Tihu Circle in 1970-71).

(b)—Since the matter is very old records are not readily available and hence the amount so collected could not be verified.

(c)—The purpose of collecting such premium was to settle land with the occupant as reclamation cost.

শ্ৰীহেমেন দাস—কিমানজন মানুহৰ পৰা টকা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই টকাৰে হিচাব দিব পৰা নাই যেতিয়া মানুহৰ হিচাব দিম কেনেকৈ। তৰুণ্যে মই এইটো পাচু কৰিছো আৰু আশা ৰাখিছো কিমান মানুহৰ টকা ললে, কিমান মানুহে মাটি পালে নিশ্চয় ওলাব।

শ্রীবিমল গয়াৰী—এই এবিচি ব্লকত মাটি পট্টন দিবৰ কাৰণে ৯,৫০০ (ন হাজাৰ পাচশ) বিঘা মাটি ৰিক্লেম কৰা হৈছিল, কথাটো সঁচানে ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—মই আগতেই কৈছো আমাৰ কোনো ৰেকৰ্ড নাই।

শ্রীবিমল গয়াৰী—এই মাটি উত্তৰ বাস্কা মৌজাত আৰু ই মোৰ নিজৰে মৌজা, গতিকে মই সঠিককৈ জানো এই ট্ৰাইবেল বেল্টৰ মাটি আছিল। ৯৫০০ বিঘা মাটি এ, বি, চি, ব্লকৰ ৰিক্লেম কৰি দি ৰিজাৰ্ভেচন কৰি নন-ট্ৰাইবেল, নন-ইলিজিবুল মানুহক দিবলৈ কেনেকৈ চৰকাৰে প্ৰীমিয়াম ললে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—মোৰ ওচৰত ৰেকৰ্ড নাই, ৰেকৰ্ড পালে নিশ্চয় ব্যৱস্থা লম।

শ্রীবিমল গয়াৰী—মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব বুলি কৈছে বুজা নাই, ট্ৰাইবেল বেল্টত নন-ট্ৰাইবেলক কিয় মাটি দিয়া হ'ল তদন্ত কৰিব নে ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—মই আগতে কৈছো ১৯৫১-৫২ চনৰ কথা, টকা আদায় কৰিছে ১৯৭১-৭২ চনত। ৰেকৰ্ড পাতি আমাৰ হাতত নাই। কিয় দিয়া হ'ল, নন-ট্ৰাইবেলক দিয়া হ'ল নে ট্ৰাইবেলক দিয়া হ'ল সেইটো জনা নাযায়।

শ্রীবিমল গয়াৰী—মাটি বন্দোবস্তি দিয়া হৈছিল নে নাই ?

শ্রীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—মই আগতে কৈছো যে ৰেকৰ্ড নাই। মই এটা উচিত বিবেচনা কৰিছে এই পৱিত্ৰ সদনত এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ ওলাইছো। ৰেকৰ্ডপাতি বিচাৰি থকা হৈছে ওলালে নিশ্চয় ব্যৱস্থা লম।

শ্রীপূৰ্ণ বড়ো—১৯৭১-৭২ চনত প্ৰিমিয়াম লৈ ৫০০ পৰিয়ালক মাটি দিয়া হৈছিল,

কিয় দিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী )—ৰেকৰ্ড নাই যিহেতু এই প্ৰশ্নটোৰ উত্তৰ দিয়া টান হ'ব ।

## Re : North Lakhimpur Municipal Board

Shri Lekhan Lahan asked :

*155. Will the Minister, Municipal Administration be pleased to state—

(a) Whether it is a fact that a huge amount of money had been spent from North Lakhimpur Municipal Board's fund for the years 1981-82 and 1982-83 for entertainment of V. I. Ps. and guests visiting the Town ?

Shri Abdul Muhib Mazumdar ( Minister, Municipal Administration ) replied :

155. (a)—No. Only an amount of Rs. 5,923·65 ( Five thousand nine hundred twenty three and sixty-five paise was spent during the year 1982-83 by North Lakhimpur Municipal Board for reception of V. I. Ps.

শ্ৰীলেখন লাহন—অধ্যক্ষ মহোদয়, কোন কোন তাৰিখে কোন ভি, আই, পিক এই এণ্টাৰটেইনমেণ্ট দিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri Abdul Muhib Mazumdar, (Minister )—Sir, during that year, i. e., 1982-83 civic reception was accorded by

the North Lakhiimpur Municipal Board in honour of the first visit of the Governor of Assam. That was given during 30th April to 9th May, 1982. Thereafter a reception was given for the visit of the Advisors to the Governor of Assam, Mr. Subrahmaniam and Mr. Saran Singh and the total amount that was spent I have already mentioned.

শ্ৰীলেখন লাহন—চাৰ, ১৯৮২-৮৩ চনত কেচ এণ্টাৰটেইনমেণ্টৰ কাৰনে মিউনি-চিপালিটিৰ বাজেটত কিমান টকা ধৰা হৈছিল ?

Shri Abdul Muhib Mazumdar, (Minister)—Sir, that will be a separate question and I will require notice.

শ্ৰীলেখন লাহন—চাৰ, এই সম্পূৰ্ণ টকা বাজেটৰ পৰাই খৰছ কৰা হৈছিল। কোনো নতুন প্ৰশ্নৰ প্ৰয়োজন নাই, এই প্ৰশ্নটো মোৰ প্ৰশ্নৰ লগত জড়িত হৈ আছে।

Starred queston No. 156 was not put member being absent.

Re : Supply of Saline in Karimganj Civil Hospital

Shri Ketaki Prasad Dutta asked :

*157. Will the Minister, Health be pleased to state—

(a) Whether the patients admitted daily in Karimganj Civil Hospital are supplied with Saline (dextrose) free of

cost on prescription of Medical Officer ?

(b) If so, the number of daily consumption of Saline (Dextrose) in Karimganj Civil Hospital and the daily requirements ?

(c) Whether the Government is aware that the attendant of patients are always directed to purchase Saline (dextrose) from outside ?

(d) If so, the reasons there of ?

Shri Golok Rajbanshi (Minister,) replied :

157. (a)—Yes.

(b)—Daily consumption of Saline at Karimganj Civil Hospital are nine to ten bottles.

(c)—No.

(d)—Does not arise.

শ্রীকেতকী প্রসাদ দত্ত—অধ্যক্ষ মহোদয়, ইহা কি সত্য যে বিগত কিছুদিন যাবত আসামের বিভিন্ন হাসপাতল গুলিতে কোন সেলাইন সরবরাহ করা হচ্ছেনা ?

শ্রীগোলোক ৰাজবংশী (মন্ত্রী)—অধ্যক্ষ মহোদয়, আমাৰ হাতত থকা ৰেকৰ্ড মতে ১৯৮৩ চনৰ জানুৱাৰী মাহৰ পৰা আগষ্ট মাহলৈকে দুহাজাৰ বটল চেলাইন চিকিৎসালয়ত যোগান ধৰা হৈছিল। এতিয়ালৈকে আৰু তেতে আপত্তি আমি পোৱা নাই। আপত্তি আহিলে আমি নিশ্চয় চাম।

## বিঃ অশোক কাগজ কল

শ্ৰীচন্দ্ৰধৰ কলিতাই সুধিছে ঃ

*১৫৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোগীঘোপাৰ অশোক কাগজ কলটোৰ বিহাৰত থকা অংশটো বিহাৰ চৰকাৰে অধিগ্ৰহণ কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, অসমত থকা অংশটো অসম চৰকাৰে অধিগ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছেনে ?

(গ) যদি লৈছে, কেতিয়াৰ পৰা সেই সিদ্ধান্তক কাৰ্য্যকৰী কৰিব ?

(ঘ) এই কলটোৰ কাম-কাজ উৎপাদন কেতিয়াৰ পৰা বন্ধ হৈ আছে আৰু বন্ধ হোৱাৰ কাৰণ কি ?

(ঙ) চৰকাৰে ইয়াৰ এটা ন্যায়িক তদন্ত চলাবনে ?

(চ) বৰ্ত্তমানে বন্ধ হৈ থকা যোগীঘোপাৰ অশোক কাগজ কলৰ শ্ৰমিক সকলে নিয়মিত দৰমহা পাই আছেনে ?

(ছ) উক্ত কাগজ কলটোৰ বহুত যন্ত্ৰ-পাতি ইতিমধ্যে চুৰি হৈছে বুলি উঠা অভিযোগ সঁচানে ।

(জ) যদি সঁচা হয়, কিমানটা কেছ ৰেজিষ্টাৰ কৰা হৈছে আৰু অভিযুক্ত কিমানজন আচামীক গ্ৰেপ্তাৰ কৰা হৈছে চৰকাৰে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫৮। (ক)—অশোক কাগজ কলৰ বিহাৰত ৰামেশ্বৰ নগৰত থকা গোটটো বিহাৰ চৰকাৰে স্বকীয়াকৈ পৰিচালনা কৰিব খোজাৰ কথা অসম চৰকাৰে জানে ।

বিচাৰোঁ যে বিজুলী শক্তিৰ মেগাৱটৰ প্ৰয়োজন আৰু বছৰি এই কলৰ উৎপাদন কিমান ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই বিজুলী শক্তিৰ অভাৱৰ কথা কোৱা নাছিলোঁ। মই কৈছিলোঁ যোগানত অসুবিধা হোৱা বুলি।

শ্ৰীপূৰ্ণ বড়ো—উৎপাদন বছৰি কিমান ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, বছৰি বছৰি উৎপাদন কিমান সেই খবৰ মোৰ হাতত এতিয়া নাই।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এই কাগজৰ কলটোৰ এনেকুৱা দুৰাৱস্থা হোৱাৰ কাৰণে কি মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এনে দুৰাৱস্থা হোৱাৰ কাৰণবোৰ মই ইতিমধ্যে কলোৱেই। মই সেইবোৰ আৰু ৰিপৰ্ট কৰিব খোজা নাই। প্ৰধানতঃ আৰ্থিক অনাটনৰ কাৰণেই কলটোৰ এনে অৱস্থা হৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, অকল আৰ্থিক অনাটনৰ কাৰণেই ক্ষতি হৈছে নে অন্য কিবা কাৰণেই এনে হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অকল আৰ্থিক অনাটনতেই যে এই কাগজ কলটোৰ ক্ষতি হৈছে সেইটো মই কব নোখোজো। বিশেষকৈ পৰিবহন, আৰু আজি ৪৪ বছৰে হৈ থকা ৰাজনৈতিক পৰিস্থিতিৰ কাৰণেও এই কাগজৰ কলটোৰ ক্ষতি হৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব নেকি যে এইবোৰ কাৰণৰ উপৰিও বিজুলী যোগানৰ বাবে সেই বিভাগক বহুতো টকা দিবলৈ বাকী থকাত তেওঁলোকে বিজুলী সৰবৰাহ বন্ধ কৰি দিয়ে।

সেই কাৰণতেই এই কাগজৰ কলটো বন্ধ হৈছে নেকি আৰু বিজুলী যোগানৰ বাবে কিমান টকা দিবলৈ বাকী আছে ?

শ্ৰীকেশ্বৰ চন্দ্ৰ গগৈ (মন্ত্ৰী)—কিমান টকা দিবলৈ বাকী আছে সেইটো হিচাব বৰ্তমান মোৰ হাতত নাই। বিজুলী সৰবৰাহ বন্ধ কৰাৰ কাৰণে কলটো বন্ধ কৰিব লগা হোৱা নাই।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এই কাগজৰ কলটোত যিবোৰ কাগজ আছিল সেইবোৰ হেনো বাকীকৈ বেচা হৈছে। সেইবোৰ সংগ্ৰহৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—তেনেকুৱা খবৰ আমাৰ হাতত নাই।

শ্ৰীজগত পাটগিৰি—অধ্যক্ষ মহোদয়, এই কাগজৰ কলটোৰ কাৰণে যি বাহৰ প্ৰয়োজন সেই বাহ হেনো এতিয়া কিনিবলৈ বন্ধ কৰি দিছে, এইটো সঁচা নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—যিহেতুকে কলটো বৰ্তমান অৱস্থাত বন্ধ হৈ আছে সেয়ে বাহ কিনাৰ প্ৰশ্ন নুঠে।

Re : Supply of Medicines to dispensaries

*159. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that the following commonly used medicines have not been adequately supplied by the Government to the dispensaries in the State ?

1. Sulphadigine Tabs.
2. Analgin tab.
3. Enteroquinol tab.
4. Sulphaguadine tab.
5. Antacid tab.
6. Influnga tab.
7. Boric Acid.
8. Sulphanilacede powder
9. Tetracycline eye ointment
10. Mag. Trisilicate powder
11. Sodium bicarbonate.

(b) If so, the steps taken by Government for adequate supply of the same ?

Shri Golok Rajbonshi (Minister) replied :

159. (a)—Commonly used medicines are supplied to the dispensaries on the basis of need and availability of fund.

(b)—The Government always make all endeavours to ensure that commonly used medicines are supplied to the Government Health Institutions. Steps taken by Government to maintain uninterrupted supply are as follows.

1. Establishment of District Medical Stores in all the District head quarters.

2. Procurement of medicines from the Central -Medical Stores Depot in addition to the approved supplier of Government.

3. Maintenance of buffer stock in the District Medical Store as far as practicable.

4. Supply of equivalent substitute when a particular brand is not available.

শ্ৰীতাৰিণী—অধ্যক্ষ মহোদয়, ১৯৮১, ১৯৮২ আৰু ১৯৮৩ চনত এই ডিচপেনচেৰীৰ কাৰণে কিমান টকাৰ ঔষধ কিনা হৈছিল ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)—এই হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই। তাৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীতাৰিণী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে বৰ্তমান অসমত কিমান খন ডিচপেনচেৰী আছে ?

শ্ৰীগোলোক ৰাজবংশী—ইয়াৰ কাৰণেও বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীহৰেণ তালুকদাৰ—অধ্যক্ষ মহোদয়, এই কথা সঁচা নেকি যে বহুতো ডিচপেনচেৰীত অদৰকাৰী ঔষধ পাতি এনেয়ে পৰি আছে।

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, কোনো কোনো ডিচপেনচেৰিত অদৰকাৰী ঔষধপাতি পৰি থাকিব পাৰে কিয়নো এটা বছৰত হোৱা বেমাৰ পিচৰ বছৰত সেই অঞ্চলত নহবও পাৰে। আনহাতে বেমাৰ চাইহে ঔষধ কিনা হয়।

Re : Dholkuchi and Bordol Lift Irrigation.

*160. Will the Minister, Irrigation be pleased to state—

(a) Whether the Government is aware of the fact that Dholkuchi & Bordol Lift Irrigation Project under Rangia Circle is not functioning since 1981 as electric wires have been stolen ?

(b) If so, whether any steps have been taken to get it repaired for resumption of Irrigation work.

Shri Zahirul Islam ( Minister, Irrigation ) replied :

(a)—Yes, since 6th May 1981 and 31st January 1981.

(b)—For reconnection, A. S. E. B. authority have already been moved. They have assured vide their letter No. A. S. E. B. (GA) 164/83/7(a) dated 16th September 1983 that reconnection of the condition of the conductors will be made by Dec/83/January/84.

Shri Purna Boro—Mr. Speaker, Sir, I want to know by this irrigation project how many acres of land will be covered ?

Shri Zahirul Islam ( Minister )—Sir, in Dholkuchi it will be about 40 acres.

Shri Hemen Das—What is the covered area ?

Shri Zahirul Islam (Minister)—I do not have the information now with me. I shall furnish the information to the Hon. Members.

Shri Binoy Kumar Basumatari—Sir, can this question be kept pending?

(No answer)

Shri Purna Boro—Sir, what is the total amount spent for these 2 schemes and the year of installation?

Shri Zahirul Islam (Minister)—Sir, I will require a separate notice for this.

Re: Jagiroad Marigaon P. W. D. Road.

Shri Prasad Chandra Dalai, asked:

*161. Will the Minister P. W. D. be pleased to state:

(a) Whether it is fact that to develop the P. W. D. road from Jagiroad to Marigaon town a huge amount of money was sanctioned?

(b) If so, to whom the work was entrusted?

(c) Whether after development of the road, the vehicles will be able to ply through out the year to Marigaon via Jagi-Bhakatgaon?

Shri Mukut Sarma ( Minister ) replied :

161 (a)—Yes, Rs.10,00,000/–was sanctioned during 1978-79, Rs. 3,00,000/–in 1981-82 and Rs. 2,76,700/–in 1982-83

(b)–The M/S. Assam Government Construction Corporation was entrusted with works of Rs. 10,00,000/. It has since been withdrawn from them and re-allotted to Shri Kailash Chandra Jain. Other works have been allotted to Sarbasree Kailash Chandra Jain, Kailash Chandra Sarmah, Jadav Chandra Deka and M. C. Jain respectively.

(c)–Even now the road is passable for vehicular traffic throughout the year.

Shri Prasad Chandra Doloi–Sir, may I know from the Hon. Minister how many k.ms covered so far ?

Shri Mukut Sarma–( Minister )–Sir, I have already stated that the road is about 7.10 k. ms. Now the portion under progress is 4·29 k. m. and another 3 k. m. will be taken up this year, i. e. 1983.

Shri Purna Boro–Sir, why the AGCC did not take responsibility for construction of this road and why a private Contractor has been entrusted with this work ?

Shri Mukut Sarma ( Minister )–Actually the work was allotted to the AGCC in 26-3-79 but because of va-

rious reasons the AGCC could not take up the work and we had to decide to give the work to a private agency.

বি ঃ ৰংজুলি থানা

শ্ৰীজগত পাটগিৰিয়ে সুধিছে ঃ

*১৬২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দুধনৈ সমষ্টিৰ ৰংজুলি থানা কৰিবৰ কাৰণে ৰাইজৰ আবেদন চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে, ৰংজুলি থানা কৰাৰ কাম কেতিয়া আৰম্ভ কৰিব জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬২। (ক)—হয়, ৰংজুলি তদন্ত কেন্দ্ৰ (Investigating Centre) পূৰ্ণ পৰ্য্যায়ত থানা কৰিবৰ বাবে ৰাইজে দিয়া আবেদন যোৱা ২-৮-৮৩ তাৰিখত পোৱা হৈছে ।

(খ)—এই বিষয়ে কোনো সিদ্ধান্ত লোৱা হোৱা নাই ।

শ্ৰীজগত পাটগিৰি—মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত ৰাইজৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক স্মাৰকপত্ৰ দিয়া হৈছিল আৰু আমি জনামতে তাৰ ৰিপোৰ্ট আহিছে। পৰিস্থিতিৰ গুৰুত্বলৈ চাই আইন-শৃংখলা ৰক্ষা কৰিবৰ কাৰণে এই থানাখন পতাটো নিতান্তই দৰ্কাৰী বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নেভাৱেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বিবেচনা কৰি থকা হৈছে ।

শ্ৰীমথুৰা ডেকা— মাননীয় অধ্যক্ষ মহোদয়, বাইহাটা চাৰিআলিৰ পৰাও এনেকুৱা সন্দৰ্ভত এখন স্মাৰক পত্ৰ দিয়া হৈছিল। সেই সম্বন্ধেও চৰকাৰৰ ফালৰ পৰা কিবা চিন্তা কৰা হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, বিবেচনা কৰা হব।

Re : Staff of Directorate of Evaluation and Monitoring Department

Shri Amir Hamcha Talukdar, asked :

*163. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that there are only two posts of typists in the Ministerial cadre in the Directorate of Evaluation and Monitoring under Planning Department ?

(b) If so, whether it is also a fact that no posts of L, D. A. and U. D. A. have been created in the same Directorate and the works are done by deputing employees from the Civil Secretariat.

(c) If so, whether there is any promotional avenues for the existing typistsg ?

(d) If not, whether the Government will create the pro-

motional avenue for them ?

Shri Hiteswar Saikia ( Chief Miniser ) replied.

163. (a)—There are three posts of typists in the Evaluation and Monitoring Division of the P. & D. Department.

(b)—Two Posts of Upper Division Assistant and three posts of Lower Division Assistant were created for Evaluations and Monitoring Division in the scale of pay applicable to similar posts in the secretariat. These posts are filled up by drawing persons from the Secretariat Establishment.

(b)—At present there is no promotional avenues for the existing typist in the Evaluation and Monitoring Division.

(d)—Yes, the matter is under active considerations and in fact. P & D Department have already taken up the question of encadrement of existing typists in the Secretariat with the concerned Secretariat Department so as to ensure their promotional prospects to higher grade as per provisions of typists in the Secretariat,

বি : গোৱালপাৰা ফৰেষ্ট ডিভিজনৰ মাষ্টাৰ ৰোল লেবাৰ

শ্ৰীমহম্মদ আলিয়ে সুধিছে :

*১৬৪। মাননীয় বনবিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) গোৱালপাৰা ফৰেষ্ট ডিভিজনত এতিয়া কিমান জন 'মাষ্টাৰ ৰোল লেবাৰ' কাম কৰি আছে?

(খ) উক্ত সকলো মাষ্টাৰ ৰোল লেবাৰ গোৱালপাৰা জিলাৰ বাসিন্দা নে?

(গ) মাষ্টাৰ ৰোল লেবাৰ কিমান জনক এতিয়ালৈকে কামৰ পৰা খেদি দিয়া হ'ল?

(ঘ) উক্ত লেবাৰ কিছুমানক কামৰ পৰা খেদি দিয়াৰ পিছত আৰু নতুনকৈ মাষ্টাৰ ৰোল লেবাৰ লোৱা হৈছে নেকি?

শ্রীধনী ৰাম ৰংপী (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে:

১৬৪। (ক)—গোৱালপাৰা ফৰেষ্ট ডিভিজনত এতিয়া গড়ে প্রায় ৭০০ জন মাষ্টাৰ ৰোলত লেবাৰ কাম কৰি আছে।

(খ)—চাৰিজনৰ বাহিৰে আনবোৰ পুৰণি গোৱালপাৰা জিলাৰ বাসিন্দা।

(গ)—এতিয়ালৈকে ১৭০ জন মাষ্টাৰ ৰোল লেবাৰক কামৰ পৰা এৰি দিয়া হৈছে।

(খ)—নতুনকৈ উক্ত ঠাইত মানুহ লোৱা হোৱা নাই।

শ্রীমহম্মদ আলি—মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা ফৰেষ্ট ডিভিজনত 'চাৰিজনৰ বাহিৰে আনবোৰ পুৰণি গোৱালপাৰা জিলাৰ বাসিন্দা' বুলি কৈছে কিন্তু আমি জনাত তাত যি কেইজনক মাষ্টাৰ ৰোলত নিয়োগ কৰা হৈছে আৰু তেওঁলোক সকলোৱেই বাহিৰৰ—

১। শ্রীকোমল শর্মা———গুৱাহাটী

২। শ্রীমাজু ৰাভা——— লাহৰিঘাট,

| | | |
|---|---|---|
| ৩। | শ্ৰীৰামেশ্বৰ বৰ্মণ— | গুৱাহাটী, |
| ৪। | শ্ৰীধনেশ্বৰ বৰ্মণ— | নলবাৰী, |
| ৫। | শ্ৰীকৈলাশ দাস | পাঠশালা |
| ৬। | শ্ৰীনৰেণ বৰা— | গুৱাহাটী, |
| ৮। | শ্ৰীটোযেশ্বৰ বৰুৱা | নগাওঁ |
| ৮। | শ্ৰীগণ বৰা | নগাওঁ, |
| ৯। | শ্ৰীঅনিল ৰাভা | গুৱাহাটী। |

মাননীয় অধ্যক্ষ মহোদয়, এই কেইজনক নিয়োগ কৰা হৈছে। তাৰো পৰি আৰু এটা কথা।

মাননীয় অধ্যক্ষ—আপুনি প্ৰশ্নটোহে কৰক। উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিব।

শ্ৰীমহম্মদ আলি—মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক মাষ্টাৰ ৰোল লেবাৰক তাত নিয়োগ কৰাইছে সেই সকলৰ কাম কি? .... .... কাম কৰিবৰ কাৰণেহে নিয়োগ কৰা হৈছে নে, ডি, এফ, অ, ৰেঞ্জাৰ আদি বিষয়াৰ ঘৰত কামকৰা বা পহৰা আদি দিবৰ কাৰণেহে ৰখা হৈছে?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চোৱা হব কি হৈছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, ফৰেষ্ট বিভাগৰ 'মাষ্টাৰ ৰোল লেবাৰ' বিলাকৰ দিন মজুৰীৰ পৰিমাণ কিমান মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মোৰ সেইটো জনা নাই?

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকক দিন মজুৰী আইনৰ

নিয়ম মতে মজুৰী দিয়া হবনে ?

শ্ৰীনীৰাম ৰংপী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, সেইমতেই হব।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, সৰ্বনিম্ন মজুৰী আইন খন বন বিভাগে কাৰ্য্যকৰী কৰা নাই। সেইখন কাৰ্য্যকৰী কৰিবনে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, নিশ্চয় কৰা হব।

শ্ৰীবিমল গয়াৰী—মাননীয় অধ্যক্ষ মহোদয়, এজন ৰেঞ্জ অফিচাৰৰ অধীনত কিমান জন মাষ্টাৰ ৰোল লেবাৰ নিয়োগ হব পাৰে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, কামৰ চাহিদা অনুযায়ী।

শ্ৰীবিমল গয়াৰী—মাননীয় অধ্যক্ষ মহেদয়, ডি, এফ, অ আৰু ৰেঞ্জাৰে এই মাষ্টাৰ ৰোলত কাম কৰা লোক সকলক স্থানীয় লোকৰ পৰা নলৈ বাহিৰৰ পৰা লোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে, আজি চাৰিদিনৰ আগতে প্ৰায় ১০০।১৫০ জনমান লোকক নিয়োগ কৰি উত্তৰ কামৰূপ ডিভিজনৰ পৰা বৰ্ডিয়ালৈ পঠাইছে। মাননীয় মন্ত্ৰী মহোদয়ে এইটো জানেনে ?

শ্ৰীধনীৰাম ৰংপী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, কেৱল যে স্থানীয় লোকৰ পৰাই লব লাগিব তাৰ কোনো মানে নাই। গোটেই অসমৰ পৰাই লব পাৰে।

বি: পুলিচ বিভাগৰ কৰ্মচাৰীৰ পৰিয়াল

শ্ৰীমথুৰা ডেকাই সুধিছে:

* ১৬৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ পুলিচ বিভাগৰ কৰ্মচাৰী সকলৰ পৰিয়াল সমূহৰ থকা মেলাৰ

আৰু ল'ৰা ছোৱালীৰ পঢ়া-শুনাৰ কি ব্যৱস্থা চৰকাৰে লৈছে জনাবনে ?

(খ) থানা সমূহত যিবোৰ কোৱাৰ্টাৰ আছে সেইবোৰত পৰিয়াল ৰাখি ল'ৰা-ছোৱালীৰ শিক্ষা দিয়াৰ স্থবিধা আছেনে ?

(গ) যদি নাই, চৰকাৰে তেওঁলোকৰ ভৱিষ্যত সম্বন্ধে কোনো আঁচনি লৈছে যদি জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৫। (ক)—হয়, সম্ভৱপৰ সকলো ব্যৱস্থা লোৱা হৈছে।

(খ)—আছে।

(গ)—প্ৰশ্ন নুঠে।

Starred question No: 166 was not put member being absent.

## বি : জনজাতি ছোৱালী হোষ্টেল

শ্ৰীদুৰ্গেশ্বৰ পাতিৰে স্থধিছে :

* ১৬৭। মাননীয় জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কেন্দ্ৰীয় চৰকাৰে ১৯৭৯-৮০ চনতে গুৱাহাটীত কেন্দ্ৰীয় ভাবে এটা জনজাতি ছোৱালী হোষ্টেল নিৰ্মান কৰিবৰ বাবে ১২ লাখ টকা দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা, এই বছৰো একে শিতানতে আৰু ২ (দুই) লাখ টকা দিয়াতো সঁচানে ?

(গ) যদি সঁচা হয়, যোৱা চাৰিটা বছৰে এই বিশেষ মঞ্জুৰীৰে এই জনজাতি

ছোৱালী হোষ্টেল নির্ম্মানৰ বাবে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৬৭ (ক)—১৯৭৯-৮০ চনত কেন্দ্ৰই পৃষ্ঠপোষকতা কৰা জনজাতি ছোৱালী হোষ্টেল সজাৰ আঁচনি মৰ্মে কেন্দ্ৰীয় চৰকাৰে ৫ লাখ টকা মঞ্জুৰী দিয়ে ? কেন্দ্ৰীয় চৰকাৰৰ ৫ লাখ টকাৰ লগতে অসম চৰকাৰে বাজ্যিক সমানুপাতিক অংশ হিচাপে আৰু ৩ লাখ টকা যোগ দি মুঠ ৮ লাখ টকাৰে গুৱাহাটীত এটা জনজাতি ছোৱালী হোষ্টেল সাজিবৰ বাবে ১৯৮০ চনৰ মাৰ্চ মাহতে মঞ্জুৰী দিয়া হয় ।

প্ৰশ্ন কৰা মতে কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় ভাবে গুৱাহাটীত এটা জনজাতি ছোৱালী হোষ্টেলৰ বাবে ১২ লাখ টকা মঞ্জুৰী দিয়া কথাটো সঁচা নহয় ।

(খ)—এই বছৰ ১৯৮৩-৮৪ এই জনজাতি ছোৱালী হোষ্টেলটোৰ বাবে অতিৰিক্ত কোনো মঞ্জুৰী এতিয়ালৈকে দিয়া হোৱা নাই ।

(গ)—সুবিধাজনক ঠাই আৰু মাটি অধিগ্ৰহণত অসুবিধা হোৱা হেতুকে এই জনজাতি ছোৱালী হেষ্টেলটো নিৰ্মাণ কৰিব পৰা নাই। বৰ্ত্তমান এই জনজাতী ছোৱালী হোষ্টেলটো সাজিবৰ বাবে অস্থায়ী ৰাজধানীৰ নিচেই ওচৰতে ৫ বিঃ ১০ লেঃ মাটি ঠিক কৰা হৈছে আৰু কামৰূপ জিলাৰ উপায়ুক্তৰ যোগেদি উক্ত মাটি ডোখৰ অধিগ্ৰহণৰ ব্যৱস্থা লোৱা হৈছে । মাটি অধিগ্ৰহণৰ লগে লগেই এই জনজাতি ছোৱালী হোষ্টেলটো সজাৰ কাম আৰম্ভ কৰা হব ।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—মাননীয় অধ্যক্ষ মহোদয়, এই মাটি বিলাক চৰকাৰী মাটিনে, অধিগ্ৰহণ কৰা হৈছিল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মাটি খিনি অধিগ্ৰহণ

কৰা হৈছে আৰু সেইখিনিৰ কাৰণে পইচা দিব লাগিব ।

শ্ৰীমোহন বসুমতাৰী—মাননীয় অধ্যক্ষ মহোদয়, কিমান টকা দিয়া হৈছে আৰু অধিক দাম দিয়া হৈছে নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, পাবলগীয়া পইচাখিনি দিব লাগিব ।

শ্ৰীজগত পাটগিৰি—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জানেনেকি যে জিলাৰ উপায়ুক্তই এই কেন্দ্ৰীয় হোষ্টেল খনৰ পৰিবৰ্ত্তে প্ৰত্যেক কলেজতে একোখনকৈ হোষ্টেল পতাৰ ব্যৱস্থা কৰিছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, জনজাতীয় সকলো বিলাক ছাত্ৰীয়ে সকলো বিলাক কলেজ হোষ্টেলতে চিট নেপাবও পাৰে তেতিয়া তেওঁলোকৰ পঢ়াত ব্যাঘাট হব পাৰে । সেই কাৰণেই তেওঁলোকে যাতে পঢ়া শুনাত কোনো অসুবিধা নেপায় তাৰ কাৰণে যাতে সকলো বিলাক কলেজত পঢ়িব পাৰে তাৰ কাৰণেই কেন্দ্ৰীয় হোষ্টেলটো কৰাৰ উদ্দেশ্য । সেই উদ্দেশ্য আগত ৰাখিয়েই আমি কাম কৰি আছো ।

শ্ৰীহৰেন তালুকদাৰ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, টকা ৮ লাখ দিয়া হৈছে । হোষ্টেল সজা হোৱা নাই যিহেতুকে এতিয়া এই টকা খিনি কাৰ হাতত আছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ এটা প্ৰচিদিউৰ আছে । টকা খিনি ড্ৰ কৰি অসম ট্ৰাইবেল দেভেলপমেণ্ট কৰপৰেচনৰ হাতত আছে ।

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, অধিগ্ৰহনৰ বাবে কিমান টকা দিয়া হৈছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে দি, চি লৈ লিখিছো। আৰু ৰিমেইনদাৰো দি আছো। দি, চিয়ে আমাক এতিয়ালৈকে একো জনোৱা নাই। মাটি ইতিমধ্যে চাই ঠিক কৰি ৰখা হৈছে।

শ্ৰীৰুক্মিনী ৰায়—অধ্যক্ষ মহোদয়, মাটি অধিগ্ৰহন কৰোতে কিমান সময় লাগিব ? আৰু হোষ্টেলৰ পৰা ছোৱালী বিলাক বিভিন্ন ঠাইলৈ অহা যোৱা কৰিবৰ বাবে পৰিবহনৰ বাচৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমাৰ অস্থায়ী ৰাজধানী যদিও সকলো ঠাইলৈ যোগাযোগ কৰিব পৰা ব্যৱস্থা আছে। গুৱাহাটিৰ পৰা সকলো ঠাইলৈ যোগাযোগৰ ব্যৱস্থা আছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এতিয়ালৈকে একো জনোৱা নাই। মন্ত্ৰী মহোদয়ে জানে নেকি যে, সেই টকা কেইখন মান কলেজক ভাগ কৰি দিয়া হৈছে আৰু কলেজ বিলাকৰ লগতে হোষ্টেল সাজিবৰ বাবে এই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, আমি কেইখন মান কলেজক ছোৱালী হোষ্টেল নিৰ্ম্মানৰ কাৰণে যি টকা দিছো, এই টকাৰ সেইবিলাক অনুদানৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই।

শ্ৰীবিমল গয়াৰী—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, জন জাতি থকা জিলা আৰু মহকুমা বিলাকত ছোৱালী হোষ্টেলৰ বাবে আঁচনি আছে নেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এনে ধৰণৰ আঁচনি আছে। মহকুমা সদৰ ঠাই বিলাকত ছোৱালী হোষ্টেল বনাবৰ কাৰণে উদ্দেশ্য লৈ কেইটামান মহকুমাৰ সদৰত কলেজৰ নামত ছোৱালী হোষ্টেল

নিৰ্মানৰ বাবে মঞ্জুৰী দিয়া হৈছে।

Starred question No. 168 was not put member being absent.

Re : Suspension of Teacher

Shri Hemen Das asked :

*169. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that Shri Jadu Mohan Biswas, Teacher of 803 No. Patkata L. P. School under D. I. of School Kokrajhar was put under suspension ?

(b) If so, whether after withdrawal of suspension order he was allowed to join in 851 No. Bijni Vidyapith L. P. School under the same D. I. of Schools ?

(c) Whether it is also a fact that he has not yet been given his arear pay ?

(d) If so, the reason thereoff ?

Shri Mukut Sarma ( Minister, Education ) replied :

169. (a)—Yes.

(b)—Yes.

(c & d)—The proposal for payment of the arear pay to

Shri Biswas have been received by Director of Elementary Education recently and is under examination.

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, তেওঁক কিমান তাৰিখে জইন কৰিবলৈ দিয়া হৈছিল জনাবনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—৩০।৪।৮৩ তাৰিখে জইন কৰিছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, তেনেহলে ডাইৰেক্টৰলৈ কিমান তাৰিখে দি, আইয়ে লিখিলে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, সেইটো অৱশ্যে মোৰ হাতত নাই। আমাৰ ব্যৱস্থা লোৱা হৈছে।

## বি : উত্তৰ লক্ষীমপুৰত খোৱা পানী যোগান

শ্ৰীলেখন লাহনে সুধিছে :

*১৭০। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ নগৰত বিশুদ্ধ খোৱা পানী যোগান ধৰা আঁচনি চৰকাৰে লৈছেনে ?

(খ) যদি লৈছে, তেন্তে এই আঁচনিৰ বাবে চৰকাৰে কিমান টকা মঞ্জুৰ কৰিছে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৭০। (ক)—হয়, বিশুদ্ধ খোৱা পানীৰ আঁচনি লোৱা হৈছে আৰু ভাৰত

চৰকাৰৰ পৰা অনুমোদন পোৱা হৈছে।

(খ)—এতিয়ালৈকে অৰ্থ মঞ্জুৰী কৰা হোৱা নাই।

শ্ৰীলেখন লাহন—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে, এই আঁচনিৰ বাবে কিমান টকা কেন্দ্ৰীয় চৰকাৰে আৰু কিমান টকা ৰাজ্যিক চৰকাৰে দিবৰ বাবে প্ৰস্তাৱ দিয়া হৈছে?

শ্ৰীআব্দুস মুহিম মজুমদাৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, উত্তৰ লক্ষীমপুৰৰ পানী যোগান আঁচনিৰ বাবে এপ্ৰভ আছিল। The scheme is under process for according administrative approval. অৱশ্যে তাতো কিছুমান কনদিচন আছে। এল, আই, চিৰ টাৰমচ এন্দ কনদিচন মিলাই লব লাগিব। সেইবিলাক এগ্ৰি কৰিছেনে নাই সেইটো জনাবলৈ দিছো। আনহাতে এল, আই, চিৰ ল'নৰ এটা নিয়ম আছে কষ্ট এচটিমেটৰ তিনি ভাগৰ দুই অংশ এল, আই, চিয়ে দিয়ে আৰু বাকী অংশটো নিজে দিব লাগে। এতিয়া ১ কোটি ২৫ লাখ টকাৰ ভিতৰত ৬২ লাখ ২৩ হাজাৰ টকা ষ্টেটে দিব লাগিব।

Re : Shortage of x-Ray plates

Shri Ketaki Prasad Dutta, asked :

*171. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that the Karimganj Civil Hospital is always running with short of X—Ray plates?

(b) If so, whether the Government will supply sufficient numbers of X-Ray plate to meet the requirement.

Shri Golok Rajbanshi (Minister) replied.

171 (a)—Not always.

(b)—Government make all endeavour to maintain regular supply of X-Ray Plates as per requirement.

Shri Ketaki Prasad Dutta—May I know whether the Govt. is going to instal an X-ray plant at Lumding ?

Shri Golok Rajbangshi—There is no such information with me.

Shri Ketaki Prasad Dutta—Is it true that previously an amount was sanctioned for this purpose ?

Shri Golok Rajbangshi—I want separate notice.

Re : Embankment of Kapili and Kollong River

Shri Prasad Chandra Dalai asked :

*172. Will the Minister, Flood Control be pleased to state—

(a) Whether there is any scheme to construct an embankment from junction of the Kapili and Kollong Rivers to Amlighat, No. 37 National Highway ?

(b) If so, when this embankment will be constructed ?

(c) If not, why ?

Shri Ranendra Narayan Basumatari (Minister, Flood Control) replied :

172. (a)–Yes. There is a proposal.

(b)–The proposal has not as yet been approved.

(c)—Due to paucity of fund.

Shri Prasad Chandra Dalai—Will the Minister please reply why this scheme was not approved ?

Shri Ranendra Narayan Basumatari (Minister)–Sir, I have already replied that due to paucity of fund.

Shri Prasad Chandra Dalai–Such type of reply is not going to satisfy us–this sort of reply is going on since the Janata rule. Is the Department not responsible for the devastation caused to the cultivators for non implementation of this scheme ?

Shri Ranendra Narayan Basumatari (Minister)–Sir, Govt. is fully aware of the gravity of the situation. The scheme has been estimated at Rs. 59.19 lakhs–it is a very big amount. Last year in October this proposal was considered. This will again be considered. Due to the huge amount involved this scheme could not be executed earlier.

Shri Prasad Chandra Dalai–May I know whether this

scheme would be taken up seriously, considering the vast area, including Nellie, that it would protect?

Shri Ranendra Narayan Basumatari (Minister) – Government is aware of the gravity of the situation and will take up as a very serious matter.

Re : Violation of the Provisions of the Assam Shops and Establishment Act.

Shri Purna Boro, asked :

*173. Will the Minister Labour be pleased to state—

(a) Whether Govt is aware of the fact that some business establishments of Gauhati like M/S. Best Foot Wear M/S. O. K. Shoes Store and Namak Singh Sujan Singh Sadma are violating the provisions of the Assam Shops & Establishments Act so far as the services of the workers are concerned ?

(b) If so, whether Govt. have taken steps for safe guarding the services of the Workers ?

Shri Rameswar Dhanowar (Minister, Labour) replied :

173. (a)—The Management of M/S. Nanak Singh Sujan Singh Sadma have not violated the provisions, so far the services of the workers are concerned under the Assam Shops & Establishment Act. But M/S. O. K. Shoe Stores & M/S, Best Footwear have violated

certain provisions so far as services of the workers are concerned under the Assam Shops & Establishment Act and the Rules framed thereunder.

(b)—Necessary steps as provided under the Act are being initiated against the Managements of M/S. O. K. Shoe Store and M/S. Best Footwear for violation of the provisions of the said Act & Rules.

Starred question No 174 was not put member being abesnt

বি ঃ বাইহাটা চাৰিআলিৰ গোৰেশ্বৰ আলিত ব্লেকটপিং

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৭৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

(ক) বাইহাটা চাৰিআলিৰ পৰা গোৰেশ্বৰ পৰ্য্যন্ত উক্ত আলিত ব্লেকটপিং কৰাৰ আঁচনি লৈছেনে ?

(ক) যদি লোৱা নাই কেতিয়াকৈ লব জনাবনে ?

শ্ৰীমুকুট শৰ্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৭৫। (ক)—ধনৰ মঞ্জুৰী অনুযায়ী পৰ্য্যায় ক্ৰমে আঁচনি লোৱা হৈছে।

(খ) (ক)—ৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীপূৰ্ণ বড়ো—মন্ত্ৰী মহোদয়ে যি পৰ্য্যায়ক্ৰমে কথা কৈছে সেইটো এই বছৰৰ আৰ্থিক বছৰতে কিবা কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—১৯৮৩-৮৪ চনতে এক কিঃ মিঃ লোৱা হব।

Starred question No. 176 was not put member being absent.

বিঃ গোৱালপাৰাত খোৱা পানী যোগান

শ্ৰীমহম্মদ আলীয়ে সুধিছে:

*১৭৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা চহৰৰ হুলুকান্দা পাহাৰৰ ওপৰত ব্ৰহ্মপুত্ৰ নৈৰ পানী উঠাই শোধন কৰি চহৰত খোৱা পানী যোগান ধৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰিছে তেন্তে কেতিয়াকৈ ফলৱতী হব ?

শ্ৰীআব্দুল মুহিম মজুমদাৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৭৭। (ক)—এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমহম্মদ আলি—মোৰ গোৱালপাৰা পানী যোগান আঁচনিৰ প্ৰশ্নটো আচলতে শক্তি বিভাগৰ নাছিল। প্ৰশ্নটো আছিল জনস্বাস্থ্য বিভাগৰ। এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰে এখন চিঠি লিখিছিল তাৰ নং হৈছে Ministry of works and Housings No. Q-12012/3/80-CPHEEO dt-24.9.1980. তেতিয়া আমাৰ ইয়াৰ পৰা এখন চিঠি নং CPHE'S NO. PHE-25/TB/58/pt-113/7819 dated-29.9.1980. গতিকে ইয়াৰ উত্তৰ কোনে দিয়ে ভাল হয়।

মিঃ স্পীকাৰ—আপুনি প্ৰশ্নটো কৰক।

শ্ৰীমহম্মদ আলি—গোৱালপাৰা জিলাৰ পানী যোগানৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে ।

শ্ৰীআব্দুস মুহিব মজুমদাৰ (মন্ত্ৰী)—বৰ্ত্তমানে গোৱালপাৰা চহৰত চলি থকা পানী যোগান গভীৰ নলীনাদৰ সহায়েৰে পানী সংগ্ৰহ কৰা হয় । ৩ টা খণ্ডৰ ভিতৰত ২টা খণ্ডতহে গভীৰ নলী নাদ বহুৱা সম্ভৱ হয় । ভূগৰ্ভত শিলাখন্দ থকা হেতুকেও পানী যুক্ত স্তৰৰ অভাৱত তৃতীয় খণ্ডত গভীৰ নলী নাদ বহুৱাব পৰা নগল । এই দুইখণ্ড পানী যোগান সম্পূৰ্ণ হোৱাৰ পিচত পৌৰ সভালৈ ইয়াৰ পৰিচালনাৰ ভাৰ হস্তান্তৰিত কৰা হয় । ২য় খণ্ডৰ গভীৰ নলীনাদৰ পানীত লোহাৰ পৰিমান বেছি থকাৰ বাবদ এটা লৌহ নিবাৰক প্ৰকল্পৰ প্ৰাক্কলন প্ৰস্তুত কৰা হয় ও ইয়াৰ প্ৰশাসনীয় অনুমোদন ১৯৭৫ চনৰ নভেম্বৰ মাহত দিয়া হয় । ১৯৭৬-৭৭ আৰু ১৯৭৭-৭৮ চনৰ বিত্তীয় বছৰ দুটাৰ ভিতৰতেই চৰকাৰে এই আঁচনিৰ কাৰণে সমুদায় টকা মঞ্জুৰ কৰা হয় । ১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহতে ইয়াৰ কাম আৰম্ভ হয় কিন্তু লৌহ নিবাৰণৰ পৰা ওলোৱা ময়লাবোৰ মাজে মাজে ধুই পেলাওতে ওলোৱা পানীবোৰ দূৰত পেলাবৰ কাৰণে ব্যৱস্থা কৰিব পৰা হোৱা নাছিল । যি নলীৰে এই পানী লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছিল সেই নলীদাল পট্টাদাৰৰ মাটিৰ মাজেৰে নিবলগীয়া হয় । কোনো পট্টাদাৰে নিজৰ মাটিৰ মাজেৰে এই নলী নিবৰ বাবে অনুমতি নিদিয়াত কাম সম্পূৰ্ণ হওতে পলম হয় । নলী নাদ আধা কৰাকৈ হলেও এই প্ৰকল্পৰ যোৱা মে মাহৰ পৰা কামত লগোৱা হয় । এই লৌহ নিবাৰনৰ পৰা পানীৰ লোহা সন্তোষ-জনক ভাবে কমি গৈছে ।

কিন্তু বৰ্ত্তমানৰ বৰ্দ্ধিত জনসংখ্যালৈও তৃতীয় খণ্ডৰ বাসিন্দা সকলৰ চাহিদা লক্ষ্য কৰি ১৯৮০ চনতেই ব্ৰহ্মপুত্ৰৰ পৰা পানী তুলি হুলুকান্দা

পাহাৰৰ ওপৰত সোধন কৰি গোৱালপাৰা চহৰত পানী যোগান ধৰাৰ কাৰণে এই বিভাগৰ পৰা ৭৯·৩০ লাখ টকাৰ এখন নতুন অঁাচনিৰ প্ৰাক্কলন আদি যুগুত কৰি ভাৰত চৰকাৰৰ কাৰীকৰি অনুমোদনৰ কাৰণে পঠোৱা হয়। ভাৰত চৰকাৰে কিছুমান মন্তব্য দি অঁাচনি পুনৰ বিবেচনাৰ কাৰণে ঘূৰাই পঠায়। তেখেত সকলৰ নিৰ্দেশাৱলীৰ মতে এই অঁাচনিৰ প্ৰাককলন প্ৰস্তুত কৰিবলৈ হলে ইয়াক সম্পূৰ্ণ নতুন কৰিব লাগিব। তাকে কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে ১৯৮২ চনতে পৌৰ প্ৰশাসনীয় বিভাগলৈ কাৰিকৰী পৰামৰ্শকৰ জৰিয়তে এই অঁাচনি নতুনকৈ প্ৰস্তুত কৰিবৰ কাৰণে অনুমতি বিচাৰিছিল। সেই সম্বন্ধে গোৱালপাৰা পৌৰ সভাক শোধা হৈছিল যে তেওঁলোকক যি ৭৫ হাজাৰ টকা কাৰিকৰী পৰামৰ্শকৰ ফিজৰ বাবদ দৰকাৰ হব সেইটো তেওঁলোকে বহন কৰিবলৈ মান্তি আছেনে নাই? কিন্তু তেওঁ-লোকে কোনো উত্তৰ দিয়া নাই।

জনস্বাস্থ্য কাৰিকৰী বিভাগে গোৱালপাৰা পৌৰসভা পানী যোগান অঁাচনিৰ লগত আৰু চাৰিখন অঁাচনি ধুবুৰী, তেজপুৰ, তিনিচুকীয়া আৰু উত্তৰ লক্ষীমপুৰৰ বাবেও দিছিল। আৰু এই আটাইকেইখন কাৰিকৰী পৰামৰ্শকৰ জৰিয়তে কৰিব লাগে বুলি অনুমতি বিচাৰিছিল। কিন্তু পিছত দেখা যায় যে তেওঁলোকে উত্তৰ লক্ষীমপুৰ আৰু তেজপুৰ অঁাচনি নিজেই সম্পূৰ্ণ কৰে।

যোৱা বছৰ গোৱালপাৰা চলিত পানী যোগানৰ অঁাচনিৰ উন্নতিৰ বাবে ৭২২৫০ টকা পৌৰ প্ৰশাসন বিভাগে মঞ্জুৰ কৰিছিল। এই কাৰ্য্য ইতিমধ্যে আৰম্ভ কৰা হৈছে।

বি : কমলপুৰ বৈদ্যুতিক জলসিঞ্চন অঁাচনি

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৭৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পুঠিমাৰি নৈৰ পৰা পানী যোগান ধৰা বাবদ কমলপুৰ বৈদ্যুতিক জলসিঞ্চন আঁচনিৰ অন্তৰ্গত যিবোৰ পাম্পচেটৰ মটৰ চুৰি হৈছিল সেইবোৰ উদ্ধাৰ হলনে ?

(খ) যদি উদ্ধাৰ হল তেনেহলে সংলিষ্টবোৰ সমূহক ধৰা হলনে ?

(গ) এই পাম্পসমূহ ৰক্ষণাবেক্ষণৰ বাবে চকিদাৰী ব্যৱস্থা লোৱা হৈছে নে ?

(ঘ) যদি হৈছে, চকিদাৰী সকলক কি ভাৱে দৰমহা দিয়া হৈছে জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :-

১৭৮। (ক)—মুঠতে ১৩ টা ২০ অশ্বশক্তি সম্পন্ন চুৰি হোৱা মটৰৰ ভিতৰত ৪টা উদ্ধাৰ কৰা হৈছে। তাৰে এটা বিভাগীয় কৰ্তৃপক্ষই ঘূৰাই পাইছে আৰু বাকী ৩ টা আৰক্ষী বিভাগৰ হাতত আছে।

(খ) মটৰ চুৰিৰ কাৰণে এতিয়ালৈকে ৪ জনক ধৰা বুলি আৰক্ষী কৰ্তৃপক্ষৰ পৰা জনা গৈছে।

(গ) এই পাম্প কেন্দ্ৰ সমূহ সাধাৰণতে পাম্প কেন্দ্ৰৰ সংশ্লিষ্ট চালক, সহায়ক ইত্যাদি সকলৰ দ্বাৰাই দিনে ৰাতিয়ে পহৰা দিয়া হয়।

(ঘ) যিহেতু পাম্প কেন্দ্ৰ সমূহৰ সংশ্লিষ্ট চালক, সহায়কৰ হতুৱাই পহৰা দিয়াৰ ব্যৱস্থা লোৱা হৈছে, তেওঁলোকক চৰকাৰৰ নিৰ্ধাৰিখ নিৰিখ মতে দৰমহা দিয়া হয়।

শ্ৰীমথুৰা ডেকা—আমাৰ ফালে এটা কথা আছে "দাদায় কল খোৱা" ইয়াত চকিদাৰ ৰখাৰ ব্যৱস্থা আছেনে নাই ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—সকলো বিলাক ঠাইতে চকিদাৰ নাই। আৰু

কোনো ঠাইতেই পুলিচে চকিদাৰক দোষী সাব্যস্ত কৰা নাই।

শ্ৰীমথুৰা ডেকা—মই যি ঠাইৰ কথা কৈছো তাত চকিদাৰ নাই।

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—সকলো ঠাইতে চকিদাৰ ৰখাটো সম্ভৱপৰ নহয়।

শ্ৰীমথুৰা ডেকা—চৰকাৰৰ ইমান দামিৰ বস্তুবিলাক এনেকৈ চকিদাৰ নোহোৱাকৈ কিয় পেলাই ৰাখিছে।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)—এই ঘটনা নিৰ্দিষ্ট অঞ্চলতহে ঘটিছে।

শ্ৰীমথুৰা ডেকা—চৰকাৰৰ বস্তু ৰক্ষণা বেক্ষণ দি নাৰাখি ৰাইজক বেয়া বুলি কলে কি হব?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)—মই ৰাইজক বেয়া বুলি কোৱা নাই। এটা অঞ্চলৰ কথাহে কৈছো।

শ্ৰীমথুৰা ডেকা—চৰকাৰে ৰক্ষণা বেক্ষণ দিয়াৰ ব্যৱস্থা কৰক। ৰাইজক দোষী কৰি লাভ নাই।

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—ব্যৱস্থা কৰা হৈছে।

Undispposed

Starred questions

Date-23.9.83

Re : Number of Gaon Panchayat Employees.

Shri Ketaki Prasad Dutta asked :

*179. Will the Minister, Panchayat be pleased to state :

(a) The number of Gaon Panchayat employees in the State ?

(b) Whether Govt. is aware that for want of fund the employees are not getting their pay for a long period ?

(c) If so, the amount involved for payment of their accumulated pay ?

(d) Whether any amount has been paid from Equalisation Fund to pay their accumulated pay ?

(e) If not, when the Govt. will sanction Fund for the above purpose ?

Shri Upen Das ( Minister, Panchayat ) replied :

179. (a)—There are 4998 employees in the State.

(b)—Yes.

(c) An amount of Rs. 2,47 crores is involved for payment of their accumulated pay.

(d)—Yes, So far Rs. 1,18,92,043,900 paise has beed released to all Gaon Panchayats.

(e)—Does not arise.

Re : Purchase of PVC and Plastic Pipes

Shri Durgeswar Patir asked :

*180. Will the Minister, Public Health Engineering be pleased to state :

(a) Whether the Government is aware of the fact that PVC and other Plastic pipes are being purchased in huge quantities by the P. H. E. Department ?

(b) If so, whether the Deptt. get this pipes certified to be free from health hazard by the Central Health and Drug Research or by other Competent Authority ?

(c) If not, why ?

Shri Raghu Nath Pamegam (Minister, Public Health Engineering) replied :

180. (a) PVC and other Plastic pipes are purchased by the P. H. E. Department for use in Water Supply scheme.

(b)—These pipes are certified by the Competent Authority as free from health hazard.

(c) Does not arise.

বি : বিজুলী যোগানত বিজুতি ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

১৮১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ছাত্ৰ ছাত্ৰী সকলৰ পৰীক্ষাৰ সময়ত ঘনাই বিজুলীবাতি নুমুৱা আৰু

সন্ধিয়া পৰত ৰদ্ধা বড়া কৰাৰ সময়ত প্ৰায়ে বিজুলী বাতি নুমাই যোৱাৰ কাৰণ কি জনাবনে ?

শ্ৰী এ, এম, মজুমদাৰ (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৮১।—বিজুলী যোগানত মাজে মাজে বিজুতি ঘটাটো হয়। ই বহুতো কাৰণত হব পাৰে যেনে—

(১) বিদ্যুৎ উৎপাদন কেন্দ্ৰত যান্ত্ৰিক বিজুতি ঘটিব পাৰে।

(২) প্ৰেৰণ আৰু বিতৰণ তাঁৰবোৰত বিশেষকৈ বাৰিষা গছ বাঁহ পৰি ক্ৰুট ঘটিব পাৰে বা ধুমুহা বতাহ আদিত ক্ষতি হব পাৰে।

(৩) দুঃস্কৃতিকাৰীৰ কাৰ্য্যৰ পৰাও কেতিয়াবা বিজুলী তাঁৰৰ ক্ষতি হব পাৰে।

(৪) কেতিয়াবা আকৌ নিম্ন প্ৰেৰণ লাইনৰ ফিউজ জ্বলিও বিজুতি ঘটিব পাৰে।

বি : গাওঁ পঞ্চায়তৰ সংখ্যা।

শ্ৰীফৰমান আলীয়ে সুধিছে :

*১৮২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ গাওঁ পঞ্চায়তৰ সংখ্যা কিমান ?

(খ) উক্ত পঞ্চায়ত সমূহৰ সম্পাদক সহ প্ৰত্যেকখন গাওঁ পঞ্চায়তৰ কৰ্মচাৰীৰ সংখ্যা কিমান ?

(গ) এই কৰ্মচাৰী বিলাকে তেওঁ বিলাকৰ সংঘৰ জৰিয়তে দৰমহা আদি নিয়মিত নিৰিখ উন্নিত কৰাৰ কাৰণে চৰকাৰক আবেদন নিবেদন কৰি থকা সঁচানে ?

(ঘ) অন্যান্য চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ লগত পঞ্চায়তৰ সমূহ কৰ্মচাৰীৰ চাকৰি চৰকাৰী কৰণ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ হাতত আছেনে ?

শ্রীউপেন দাস ( পঞ্চায়ত বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

১৮২। (ক) মুঠ ৭১৪ খন গাওঁ পঞ্চায়ত আছে।

(খ)—৭ জনকৈ আছে।

(গ)—হয়, সঁচা।

(ঘ)—বৰ্ত্তমানে কোনো প্রস্তাৱ চৰকাৰৰ হাতত নাই। কিন্তু তেওঁলোকৰ সমস্যাৰ আশু সমাধানৰ বাবে চৰকাৰে কিছুমান খৰতকীয়া ব্যৱস্থা হাতত লৈছে।

বি : পঞ্চায়ত কৰ্মচাৰীৰ দৰমহা।

*১৮৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলে কিমান মাহৰ দৰমহা পোৱা নাই জনাবনে ?

(খ) বাকী পৰি থকা দৰমহা সমূহ কেতিয়া পাব জনাবনে ?

(গ) ৰাজ্যৰ পঞ্চায়ত সমূহত কৰ্মচাৰী সকলক দৰমহা বাবদ দিব লগা মুঠ টকা কিমান আছে জনাবনে ?

(ঘ) গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলে কিয় দৰমহা পোৱা নাই সেই বিষয়ে অনুসন্ধান কৰিছে নে ?

শ্রীউপেন দাস ( পঞ্চায়ত বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

১৮৩। (ক)—মুঠ ৭১৪ খন গাওঁ পঞ্চায়তৰ ভিতৰত ৯৩ খন গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলে সম্পূৰ্ণ দৰমহা নিয়মীয়াকৈ পাই আছে। এনে ক্ষেত্ৰত এমাহৰ পৰা ৩০ মাহলৈকে দৰমহা বাকী পৰি আছে।

(খ)—গাওঁ পঞ্চায়ত সমূহক নিজৰ পুঁজিৰ পৰা তেওঁলোকৰ কৰ্মচাৰী সকলক দৰমহা দিবলৈ নিৰ্দ্দেশ নিয়া হৈছে। নিজ পুঁজিৰ পৰা তেওঁলোকে দৰমহা দিব নোৱাৰাত চৰকাৰে সময়ে সময়ে আৰ্থিক মঞ্জুৰী দি আছে।

(গ) পঞ্চায়ত কৰ্মচাৰী সকল চৰকাৰী কৰ্মচাৰী নোহোৱাৰ কাৰণে চৰকাৰৰ বাজেটৰ পৰা দৰমহা দিয়াৰ কোনো ব্যৱস্থা নাই। এবছৰৰ ঘাটি ১ কোটি ৭ লাখ হিচাবে বৰ্ত্তমানলৈ ২ কোটি ৪৭ লাখ টকা দিব লগা আছে।

(ঘ)—গোটেই বিষয়টো চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

Re: Facsimile of Assam Police W. T. Message.

Shri Binoy Kumar Basumatari Asked.

*184. Will the Minister, Home be pleased to state:

(a) Whether it is fact that the facsimile of Assam Police W. T. message were printed and published on the covers of India Today, circulated from Delhi ?

(b) If so, when ?

(c) If the answer to question (a) is in affirmative, how it was possible for a journalist to acquire such official documents ?

(d) Whether, the Government has been able to trace out the source of availability of these documents ?

Shri Hiteswar Saikia (Chief Minister) replied :

184. (a)—Yes.

(b)–India Today dated 15-5-83.

(c) & (d)–Matter is under enquiry.

বি ঃ বাঠা নদীৰ জলসিঞ্চন প্ৰকল্প।

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে :

*১৮৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বাঠা নদীৰ জলসিঞ্চন প্ৰকল্পটো চৰকাৰে কৰিবলৈ হাতত লওঁতে কিছু-মান জনসাধাৰণৰ ম্যাদি মাটি অধিগ্ৰহণ কৰিছিল নেকি ?

(খ) যদি কৰিছিল, এই অধিগ্ৰহণ কৰা মাটি বোৰৰ কাৰণে জনসাধাৰণক ধন দিয়াৰ কথা চৰকাৰে সিদ্ধান্ত লৈছিল নেকি ?

(গ) যদি লৈছিল, ধন দিয়া হ'লনে ?

(ঘ) যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

১৮৫। (ক)—হয়।

(খ)—চৰকাৰী কামৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ পাট্টাদাৰক ৰাজহ বিভাগে প্ৰস্তুত কৰি দিয়া প্ৰাক্কলন মতে দিয়া হয়।

(গ)—ৰাজহ বিভাগে প্ৰস্তুত কৰি দিয়া ২৮ খন গাওঁৰ মাটি অধিগ্ৰহণ কৰা প্ৰাক্কলনৰ টকা সমাহৰ্ত্তাক দিয়া হৈছে। বাকী ২ খন প্ৰাক্কলন

অলপতে অনুমোদিত হৈছে আৰু বাকী ৭ খন, প্ৰাক্কলনত থকা ভুল ভ্ৰান্তিবোৰ শুধৰাবৰ বাবে কাৰ্য্যবাহী অভিযন্তা আৰু সমাহৰ্ত্তাৰ ওচৰলৈ ঘুৰাই পঠিওৱা হৈছে।

(ঘ)—প্ৰশ্ন নুঠে।

বি: গৃহৰক্ষী বিভাগৰ কনিষ্টবল।

শ্ৰীমথুৰা ডেকাই সুধিছে:

*১৮৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গৃহৰক্ষী বিভাগৰ যি সকল কনিষ্টবল নিয়োগ হৈ থাকে তেওঁলোকৰ চাকৰিৰ নিৰাপত্তা কিয় নাই জনাবনে?

(খ) গৃহৰক্ষী বিভাগত যি সকল কনিষ্টবলে সুদক্ষতা অৰ্জন কৰিছে তেওঁলোকক সাধাৰণ পুলিচ বিভাগত মকৰল কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে:

১৮৬। (ক)—গৃহৰক্ষী বিভাগত কোনো লোকক কনিষ্টবল হিচাবে নিয়োগ কৰা নহয়। গোটেই গৃহৰক্ষী অনুষ্ঠানটোৱেই স্বেচ্ছাসেৱী সকলকলৈ গঠিত। ইয়াৰ সভ্য পদৰ ম্যাদ মুঠ চাৰি বছৰ। যিহেতু তেনে সভ্য পদ এটা চাকৰি নহয়, তেনেস্থলত চাকৰিৰ নিৰাপত্তাৰ প্ৰশ্ন নুঠে। অনুষ্ঠানৰ যি সকল নিয়মীয়া দৰমহা পোৱা বিভাগীয় চাকৰিয়াল আছে সেই সকলৰ চাকৰি স্থায়ী কৰণৰ ব্যৱস্থা চৰকাৰে লৈ আছে। তাৰ ভিতৰত এক তৃতীয়াংশ চাকৰী এই বছৰতে স্থায়ী কৰা হয়।

(খ)—অৰ্হতা অনুসৰি সন্তৱপৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী সকলৰ বহুতেই আৰক্ষী

বিভাগকে ধৰি বিভিন্ন চৰকাৰী, অৰ্ধ চৰকাৰী, বেচৰকাৰী কোম্পানী আদি অনুস্থানত চাকৰিত নিযুক্তিৰ সুবিধা পাইছে। উপযুক্ত ক্ষেত্ৰত চৰকাৰে পুলিচ বিভাগত নিযুক্তিৰ কাৰণে ব্যৱস্থা লব।

## Re : Recruitment in Task Force.

Shri Durgeswar Patir asked :

*187. Will the Chief Minister, be pleased to state :

(a) Whether the Government is aware of the fact that no tribals and other minority candidates were recruited for Task Force in the Dhakuakhana Thana in spite of the fact that there was heavy rush of such candidates ?

(b) If so, the steps taken by the Government in this regard ?

Shri Hiteswar Saikia (Chief Minister) replied.

187. (a)—Selection of condidates for the Task Force is still under process which is being completed shortly. No persons has no far been appointed in the Task Force and as such it is not possible to say at this stage how many tribals and other candidates from minorities have been recruited.

(b)—On receipt of complaints from various sources that

large number of candidates could not appear at the recruitment centres on dates earlier fixed, all the Superintendents of Police of the Districts have been asked to do the selection again so as to give adequate opportunity to all the candidates who intend to appear before the recruiting teams.

বি : গাওঁ পঞ্চায়ত সমবায় সমিতি।

শ্রীমথুৰা ডেকাই সুধিছে :

*১৮৮। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহক যথেষ্ট ভাবে চৰকাৰী অনুদান দিয়া স্বত্বেও দুৰ্বল হৈ পৰাৰ কাৰণ কি জনাবনে ?

(খ) গাওঁ পঞ্চায়ত সমিতি সমূহৰ পৰিচালনাৰ বেমেজালিৰ বিষয়ে তদন্ত কৰাৰ ব্যৱস্থা কি ভাৱে লৈছে ?

(গ) উপযুক্ত ভাৱে চৰকাৰে প্ৰশিক্ষণ দিয়া চেক্ৰেটৰী নিযুক্তিৰ পিচতো সমিতি সমূহৰ অৱনতি ঘটাৰ কাৰণ কি ?

শ্ৰীতিলক গগৈ ( সমবায় বিভাগৰ মন্ত্রী )য়ে উত্তৰ দিছে :

১৮৮। (ক)—গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহ ক্রমধাৰাত দুৰ্বল হৈ পৰা কথাটো সকলো গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। অৱশ্যে কিছুমান গাওঁ পঞ্চায়ত সমবায় সমিতি ক্রমধাৰাত আৰ্থিক ভাৱে দুৰ্বল হৈ পৰা দেখা যায়। ঘাইকৈ তলত দিয়া কাৰণ সমূহ ইয়াৰ বাবে দায়ী বুলি বিবেচিত হয়—

(১) উপযুপৰি ব্যৱসায়িক লোকচান।

(২) সীমিত ব্যৱসায়।

(৩) ব্যৱসায়িক পুঁজিৰ অভাৱ।

(খ) যিবোৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ পৰিচালনাৰ বেমেজালি হৈছে সেই বিষয়ে অৱগত হোৱাৰ লগে লগে বিভাগীয় বিষয়াৰ দ্বাৰা যথাসম্ভৱ খৰতকীয়া ভাৱে অনুসন্ধান বা হিচাব পৰীক্ষা যোগে তদন্ত কৰা হয়।

(গ)—অকল উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত সম্পাদক নিয়োগ কৰিলে সমিতিৰ উন্নতি হব নোৱাৰে। এজন সম্পাদকৰ পক্ষে এনে ধৰণৰ বহুমুখী সমবায়ৰ বহুমুখী ব্যৱসায় নিয়াৰিকৈ পৰিচালনা কৰা সম্ভৱপৰ নহয়। সেইহেতু এইবিলাক সমবায় সমিতিৰ বহুমুখী কাম সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে তলত দেখুৱা মতে চৰকাৰে ব্যৱস্থা লৈছে।

(১) প্ৰত্যেকখন সমবায় সমিতিত এজনকৈ অতিৰিক্ত সম্পাদক নিয়োগৰ আঁচনি গ্ৰহণ কৰা হৈছে।

(২) ভৈয়াম জিলাৰ জনজাতীয় এলেকাত প্ৰত্যেকখন সমবায় সমিতিৰ ৯ খনকৈ শাখা খোলাৰ আৰু ভৈয়ামৰ আন এলেকাত ২ খনকৈ শাখা খোলাৰ বাবে এতিয়ালৈকে অৰ্থ মঞ্জুৰী দিয়া হৈছে। ইয়াতে কব পাৰি যে প্ৰতিখন গাওঁপঞ্চায়ত সমবায় সমিতিক মুঠ ১০ খন কৈ শাখা খোলাৰ বাবে পৰিকল্পনা লোৱা হৈছে।

বি: ৰাজধানীৰ স্থান নিৰ্ণয়।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে:

*১৮৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ স্থায়ী ৰাজধানীৰ বাবে স্থান নিৰ্ণয় কৰা হৈছে নেকি ?

(খ) এই বিষয়ত বিভিন্ন এক্সপাৰ্ট কমিটিয়ে দাখিল কৰা প্ৰতিবেদন সম্পৰ্কে জনাবনেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৮৯। (ক)—অসমৰ স্থায়ী ৰাজধানীৰ বাবে স্থান নিৰ্ণয়ৰ বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(খ)—এই সম্পৰ্কত প্ৰথমে অসম চৰকাৰে এটা চাৰিজনীয়া বিষয়া পৰ্য্যায়ৰ কমিটি গঠন কৰিছিল আৰু এই কমিটিৰ পৰামৰ্শ সমূহ পৰীক্ষা কৰি চাবলৈ আন এটা বিশেষজ্ঞ কমিটি গঠন কৰা হয় আৰু বৰ্ত্তমানে চৰকাৰে কমিটিৰ প্ৰতিবেদন বিবেচনা কৰি আছে । এই বিষয়ে সোঁনকালে এটা সিদ্ধান্ত লবলৈ চৰকাৰে ব্যৱস্থা লৈছে ।

## বি : টাস্ক ফৰ্চ গঠন

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰে এটা "টাস্ক ফৰ্চ" গঠন কৰাৰ কথাটো সঁচানে ?

(খ) যদি সঁচা, সেই জোৱান সকলক জিলা ভিত্তিত লৈছেনে ?

(গ) টাস্ক ফৰ্চ বাহিনীত নিযুক্তি পোৱা জোৱান সকলক গৃহ দপ্তৰৰ অনুমোদন সাপেক্ষে লৈছেনে ?

(ঘ) "টাস্ক ফৰ্চ" বাহিনীৰ কাম কাজ কেনে ধৰণৰ হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

১৯০। (ক) (খ) (গ) (ঘ)—চৰকাৰে "টাস্ক ফৰ্চ" বাহিনী এটা গঠন কৰিবলৈ কাম হাতত লৈছে। এই বাহিনীত ৪ টা বেটেলিয়ান থাকিব। কোনো জোৱানৰ মকৰল এতিয়ালৈকে হোৱা নাই যদিও বিভিন্ন থানা এলেকাত প্ৰাৰ্থী বাচনি ক্ষিপ্ৰগতিত আগবাঢ়িছে। অসমৰ জনসংখ্যাৰ সুকীয়া সুকীয়া জনগোষ্ঠীৰ প্ৰতিনিধিত্ব কৰিব পৰাকৈ জোৱান বাচনিৰ বাবে নিৰ্দেশ দিয়া হৈছে। অসমৰ বেলেগ বেলেগ উপদ্ৰুত অঞ্চলত শান্তি-সম্প্ৰীতি আৰু আইন শৃঙ্খলা অটুট ৰখাৰ কামত এই বাহিনী নিয়োজিত হব।

**Re : Social Forestry Division at Goalpara**

*91. Will the Minister of State Forest be pleased to state :

(a) Whether it is a fact that there is a proposal to open a Division of Social Forestry at Goalpara ?

(b) If so, When the Division will be opened ?

Shri D. N. Rajkhowa ( Minister of state forest ) replied.

191. (a)—Yes, a Social Forestry Division with H. Q. at Goalpara has already been sanctioned.

(b)—Steps are being taken for functioning of the Division as early as possible.

বি ঃ মুক্তি যুজাৰুৰ পেঞ্চন ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যিক ভিত্তিত যি মুক্তিযুজাৰু সন্থা গঠন কৰা হৈছে সেই সমিটি খনত মুক্তিযুজাৰু কোনো আছে নে নাই জনাবনে ?

(খ) দ্বিতীয় ভাগৰ মুক্তি যুজাৰৰ পেঞ্চন দিয়াৰ সম্বন্ধে চৰকাৰে কি চিন্তা কৰিছে জনাবনে ?

(গ) জেল খটা লোকৰ মাজত শাস্তি পোৱা ( আইনত ) আৰু হাজোতি খটাৰ প্ৰভেদ উলিৱাৰ কাৰণ জনাবনে ?

(ঘ) যি সকলে ১৯৪২ চনৰ আন্দোলনত আত্মগোপন কৰি আন্দোলন সঞ্জীৱিত কৰি তুলিছিল তেওঁলোকক উক্ত পেঞ্চন দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯২। (ক)—ৰাজ্যিক ভিত্তিত চৰকাৰে 'সন্থা' বা সমিটি গঠন কৰা নাই ।

চৰকাৰে ৰাজ্যিক ভিত্তিত মুক্তি যুজাৰুৰে গঠিত এখন উপদেষ্টা পৰিষদহে গঠন কৰিছে ।

(খ)—'দ্বিতীয় ভাগৰ' পেঞ্চনে কি বুজাইছে তাৰ বাখ্যাৰ প্ৰয়োজন ।

(গ) চৰকাৰে এনে কোনো প্ৰভেদ উলিওৱা নাই ।

(ঘ) বৰ্তমানে জেলখটা লোকৰ আবেদনহে চৰকাৰী প্ৰমান পত্ৰ সাপেক্ষে বিবেচনা কৰা হৈছে ।

Re: Leave to Tubercular patient

Shri Durgeswar Patir asked:

*193. Will the Minister, Finance be pleased to state:

(a) Whether it is a fact that a tubercular permanent Govt. servant is entitled to a leave on average pay for 18 months by instalments of 4 months on the recommendation of the Medical Officer in addition to all other leave due to him under the Revised Leave Rules, 1934 as amended if his case, after careful examination, is found to be an 'open'one?

(b)—If so, whether it is a fact that after availing the extra ordinary leave for 18 months Govt. servant is entitled to the other leave due to him under the Revised Leave Rules, 1934 as amended?

(c) If not, the reasons thereof?

Shri Md. Idris (Minister, Finance) replied.

193. (a)—Yes, This benfit is admissible even to the temporary Govt. servants who suffer from T. B. and have completed one year's service on the date they proceed on leave.

(b)—According to the provision now in force a tubercular Govt. servant is first to be granted earned leave to

the extent of 120 days, if admissible and then leave on average pay for 18 months in instalment of 4 months at a time and on expiry of it he may be granted half pay leave or commuted leave as admissible and then extra ordinary leave, if necessary, upto five years in case of permanent Govt. servant and in the case of temporary Govt. servant upto 18 months only.

(c) Does not arise.

**বি : বিদেশী বহিষ্কৰণৰ বাবে গঠন কৰা ত্ৰিবিউনেল ।**

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৯৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিদেশী নাগৰিক বহিষ্কৰণ কৰাৰ ক্ষেত্ৰত যি ট্ৰিবিউনেল পতাৰ কথা চৰকাৰে ঘোষণা কৰিছে এই ত্ৰিবিউনেলে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব জনাবনে ?

(খ) অসমত ভাৰতীয় নাগৰিক সকলৰ ৰাষ্ট্ৰীয় পঞ্জীয়নৰ কথা চৰকাৰে চিন্তা কৰিছে নে ?

(গ) যদি কৰিছে, কেতিয়াৰ পৰা কাম হাতত লব জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৪। (ক)—চৰকাৰে গঠন কৰিবলৈ ঘোষণা কৰা ২০ টা ত্ৰিবিউনেলৰ ভিতৰত ৯ টা ত্ৰিবিউনেলৰ কাম অহা অক্টোবৰৰ পৰা আৰম্ভ কৰা হব ।

(খ)—এই বিষয়ে এতিয়ালৈকে চিন্তা কৰা হোৱা নাই ।

(গ)—প্ৰশ্ন নুঠে ।

বি : গ্ৰাম্য স্বাস্থ্য আঁচনি ।

শ্ৰীআফাজুদ্দিন আহমেদে সুধিছে :

*১৯৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গ্ৰাম্য স্বাস্থ্য আঁচনিৰ উদ্দেশ্য কি ?

(খ) ৰাজ্যত বৰ্তমানলৈকে এই আঁচনিৰ অধীনত কিমান সংখ্যক স্বাস্থ্য সহায়ক সহায়িকা লোৱা হ'ল ? (লক্ষীমপুৰ জিলাৰ সংখ্যা জনাব)

(গ) লক্ষীমপুৰ জিলাৰ নাওবৈছা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত যিসকল স্বাস্থ্য সহায়ক/সহায়িকা লোৱা হ'ল সেই সন্দৰ্ভত চলা দূৰ্নীতিৰ বিষয়ে চৰকাৰে জানে নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৫। (ক)—অসমত যদিও শতকৰা ৮০ ভাগ লোক গাৱঁত থাকে তথাপিও স্বাস্থ্য সেৱাৰ সুবিধাৰ্থে শতকৰা ৮০ ভাগ টকা ব্যয় কৰা হয় চহৰ বাসীৰ বাবে। এই বৈষম্য দূৰ কৰাৰ অৰ্থে গ্ৰাম্য স্বাস্থ্য আঁচনি হাতত লোৱা হৈছে ।

বহুমুখী স্বাস্থ্য কৰ্মীৰ কাৰ্য্যসূচী (MPW) গ্ৰাম্য স্বাস্থ্য সহায়ক সহায়িকা কাৰ্যসূচী (Health guide Scheme) আৰু গ্ৰাম্য প্ৰশিক্ষণ এই গ্ৰাম্য স্বাস্থ্য আঁচনিৰ অন্তৰ্গত ।

(খ)—বৰ্তমানলৈকে গ্ৰাম্য স্বাস্থ্য আঁচনিত মুঠ ১১,৯৯৪ সংখ্যক স্বাস্থ্য সহায়ক/

সহায়িকা লোৱা হৈছে। ( তাৰে ভিতৰত ৮১৩ জন লক্ষীমপুৰ জিলাৰ )

(গ)—এনে ধৰণৰ দূৰ্নীতিৰ খবৰৰ বিষয়ে চৰকাৰ অৱগত নহয়।

ৰি : গাওঁ পঞ্চায়ত সমবায় সমিতিৰ নিজা ঘৰ মাটি।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৯৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ কিমান খনৰ নিজা ঘৰ তুৱাৰ হৈছে ?

(খ) যিবিলাক সমবায় সমিতিৰ ঘৰ তুৱাৰ হৈ উঠা নাই, কিয় হৈ উঠা নাই ?

শ্ৰীতিলক গগৈ ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে।

১৯৬। (ক)—২৭২ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ কাৰ্যালয় আৰু সম্পাদকৰ বাসভৱনৰ নিৰ্মান কাৰ্য্য চলি আছে।

এতিয়ালৈকে ১৭১ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ নিজস্ব গুদাম ঘৰ নিৰ্মান কৰা হৈছে আৰু ২৯০ খন সমবায় সমিতিৰ গুদাম ঘৰৰ নিৰ্মান কাৰ্য্য চলি আছে।

(খ)—বিশেষকৈ নিম্নলিখিত কাৰণত নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠা নাই।

(১) বহুত সমিতিয়ে টকা মঞ্জুৰী পোৱাৰ লগে লগে কাম আৰম্ভ নকৰে।

(২) নিৰ্মাণৰ বাবে লাগতিয়াল সা-সৰঞ্জামবোৰ যেনে—চিমেণ্ট,

লোহা আদি যথেষ্ট পৰিমানে নিয়ন্ত্রিত মূল্যত নাপায়।

(৩) নির্মাণৰ সা-সৰঞ্জামৰ মূল্য বৃদ্ধি হেতুকে মঞ্জুৰী প্রাপ্ত টকাৰ দ্বাৰা ঘৰ নির্মাণৰ কাম সম্পূর্ণ কৰণ সম্ভৱ হৈ উঠা নাই।

Re: Upgradation of Police out post.

Shri Afazuddin Ahmed asked:

*197. Will the Chief Minister, be pleased to state:

(a) Is it a fact that some Police outposts are being upgraded to Police Station during the current year for greater public interest?

(b) If so, the number of police outposts enlisted for upgradation to Police Station? (Names of such out posts district-wise may be shown).

(c) Whether it is a fact that plan and estimates were obtained from S. P. Lakhimpur for up-gradation of Laluk Out post to Police Station?

(d) If so, whether Govt. will ensure upgradation of the Laluk O. P. to a Police Station during the current year.

Shri Hiteswar Saikia (Chief Minister) replied.

197. (a)—No.

(b)—Does not arise.

(c) No plan and estimates have been received. A proposal for upgradation received from D. G. P. Assam.

(d)—This will be considered subject to availability of fund.

বি. ৰঙিয়া মহকুমাৰ সীমা

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৯৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা ১৫ আগষ্টত ঘোষণা কৰা ৰঙিয়া মহকুমাৰ যি সীমা নিৰ্ধাৰণ কৰি কমলপুৰ চক্ৰ অন্তৰ্ভূক্ত কৰিলে এই ক্ষেত্ৰত কমলপুৰ বাসীৰ কোনো মতামত লোৱা হৈছিলনে বা আগধৰি এই বিষয়ে জনসাধাৰণক জানিবলৈ দিয়া হৈছিলনে ?

(খ) কমলপুৰ চক্ৰৰ বাইজে পূৰ্বৰ পৰা গুৱাহাটী মহকুমাত চামিল হৈ থকাৰ কথা বিভিন্ন সভা সমিতিৰ যোগে প্ৰস্তাৱ আদি দি থকাৰ কথা চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে কমলপুৰ চক্ৰক গুৱাহাটী মহকুমাত চামিল নকৰাৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৮। (ক)—নতুন ৰঙিয়া মহকুমাৰ সীমা ঘাইকৈ কহলি কমিটিৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি আৰু ৰাজহুৱা স্বাৰ্থ ও প্ৰশাসনীয় সুবিধাৰ প্ৰতি

লক্ষ্য ৰাখি নিৰ্ণয় কৰা হৈছে। কহলি কমিটিয়ে অনুমোদন দিয়াৰ আগতে কমিটিৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰ আৰু মতামত বিবেচনা কৰি চাইছিল।

(খ) (গ)—ৰাজহুৱা স্বাৰ্থ আৰু প্ৰশাসনীয় সুবিধা আদি সকলো দিশ বিবেচনা কৰিয়েই ৰঙিয়া মহকুমা গঠন কৰা হৈছে।

বি: পাঠ্যপুথি প্ৰকাশন নিগম।

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে:

*১৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ পাঠ্য পুথি প্ৰকাশন নিগমৰ আভ্যন্তৰীণ বেমেজালিৰ কথা চৰকাৰে জানেনে?

(খ) চৰকাৰে এই বিষয়ে বাতৰি কাকতত ওলোৱা খবৰৰ প্ৰতি মনোযোগ দিছেনে?

(গ) যদি দিছে তেন্তে এই বিষয়ে কি ব্যৱস্থা চৰকাৰে লৈছে জনাবনে?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৯৯। (ক) (খ)—পাঠ্যপুথি নিগমৰ অবৈধ নিযুক্তি, দূৰ্নীতি, কৰ্তৃপক্ষৰ অনিয়ম আদিৰ অভিযোগ সম্বলিত কেতবোৰ বাতৰি স্থানীয় বাতৰি কাকতত প্ৰকাশিত হোৱাটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু সেইবোৰৰ প্ৰতি মনোযোগ দিয়া হৈছে।

(গ)—পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম কৰ্মচাৰী সংঘই বাতৰি কাকতত প্ৰকাশিত কিছুমান অভিযোগ ডাঙি ধৰি ৪।৫।৮৩ তাৰিখে চৰকাৰৰ

ওচৰত এখন স্মাৰক পত্ৰ দাখিল কৰে। এই অভিযোগ সমূহ অনুসন্ধান কৰিবৰ বাবে এটি উচ্চ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

বি : কৰবা মৌজাৰ মৌজাদাৰ নিযুক্তি

শ্ৰীমথুৰা ডেকাই সুধিছে :

*২০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কমলপুৰ চক্ৰৰ কৰবা মৌজাৰ মৌজাদাৰ নিযুক্তিৰ বাবে কেতিয়া দৰ্খাস্ত আহ্বান কৰা হৈছিল ?

(খ) কমলপুৰ সমষ্টিৰ যি সকল মৌজাদাৰক বৰ্খাস্ত কৰা হৈছে তেওঁলোকক মৌজা ঘূৰাই দিয়াৰ বা আন কোনো বিকল্প ব্যৱস্থা লৈছেনে ?

(গ) যদি লৈছে কেনে ধৰণৰ ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২০০। (ক)—কৰবা মৌজাৰ মৌজাদাৰৰ পদ পুৰণৰ বাবে আবেদন বিচাৰি ১১।১।৮২, ১৬।২।৮২, ২৩।৩।৮২ আৰু ২৮।৮।৮২ তাৰিখত মুঠ চাৰিবাৰ বিজ্ঞাপন দিয়া হৈছিল।

(খ)—লোৱা হৈছে।

(গ)—ব্যৱস্থাৰ সবিশেষ বিৱৰণী সদনৰ মেজত থোৱা হৈছে।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 23rd September, 1983

Re: List for appointment prepared by Directorate of Employment and Craftsmen Training.

Shri Hemen Das asked :

10. Will the Minister, Labour be pleased to state :

(a) Is it a fact that the Director of Employment and Craftsmen Training prepared a list for appointment in various Directorates every year ?

(b) If so, the numer of persons appointed by various Directorates from the said list from 1979 to 1982 ?

(c) The number of persons of different Dists. appointed in various Directorates from such list in the said period ?

(d) The number of persons belonging to Scheduled Castes Scheduled Tribes appointed from 1979-1982 in various Directorates during the period from the list prepared by the Director of Employment and Craftsmen Trai ning.

Shri Rameswar Dhanowar ( Minister, Labour ) replied

10. (a)—Yes, fseparate panels are prepared for the post of Lower Division Asstts. & Typists. A list is also pre- pared for Gr. IV appointment.

(b)—Lower Division Asstts 115
Typist 128

(c)+(b)—Detailed statements are placed on the table of the House.

বি : পমুৱা পথাৰ, কাৰেমুৰাৰ ষ্টেট ডিস্পেন্সাৰী

শ্ৰীবিমল গয়াৰীয়ে সুধিছে :

১১। মাননীয় পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

জনজাতি প্ৰধান ( নলবাৰী মহকুমাৰ ) পমুৱা পথাৰ, কাঠে মুৰা আৰু ( বৰপেটা জিলাৰ ) বেটবাৰী ষ্টেট ডিস্পেন্সাৰীত কিয় চিকিৎসক দিয়া হোৱা নাই ?

ডা: ভূমিধৰ বৰ্মণ, (পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১১। পমুৱা পথাৰ আৰু কাৰেমুৰা ( কাঠেমুৰা নহয় ) ভেষজালয়ৰ ঘৰ দুৱাৰ সজা কাম সম্পূৰ্ণ হৈ নুঠাৰ বাবে। বেটবাৰীত পদৰ মঞ্জুৰী ৯।৯।৮৩ তাৰিখতহে দিয়া হৈছে।

বি : সংশোধিত অসম ভূমি ৰাজহ আইন।

শ্ৰীবিমল গয়াৰীয়ে সুধিছে :

১২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৩০।১২।৮১ ইংৰাজী তাৰিখে প্ৰকাশিত গেজেট নোটিফিকেচন যোগে

সংশোধিত অসম ৰাজহ আইনৰ ১০ তম অধ্যায় মৰ্মে জনজাতি আৱেষ্টনীত বিশেষ নীতি প্ৰয়োগ কৰাটো সঁচা নেকি ?

(খ) যদি সঁচা, কেনে ধৰণে প্ৰয়োগ কৰিছে ?

(গ) এই নীতি অসমৰ কিমান আৰু কোন কোন জনজাতি আৱেষ্টনীত প্ৰয়োগ কৰা হৈছে ?

(ঘ) এই নীতি মহকুমা আৰু চক্ৰ পৰ্য্যায়ত কেনেধৰণে প্ৰয়োগ কৰা হৈছে বা কৰিব বিচৰা হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১২। (ক)—হয়। সঁচা।

(খ) (১) ১৬১ অনুচ্ছেদৰ ১নং উপধাৰাত সন্নিবিষ্ট কৰা মতে ২নং ধাৰাৰ (গ) নিয়মত উল্লেখিত নীতি অনুসৰি কোনো অ-জনজাতীয় লোকক চৰকাৰৰ আগতীয়া অনুমোদন নোলোৱাকৈ জনজাতীয় আৱেষ্টনীত মাটিৰ কোনো পট্টন দিব পৰা নাযায়।

(২) ১৬০ অনুচ্ছেদৰ জাননী মতে কোনো জনজাতীয় আৱেষ্টনীত মাটি অ-জনজাতীয় লোকক হস্তান্তৰ কৰিব নোৱাৰে।

(৩) কোনো ভু-স্বত্বাধিকাৰীয়ে তেওঁৰ মাটি কোনো অ-জনজাতীয় স্থায়ী বাসিন্দাক জনজাতীয় বেষ্টনীত হস্তান্তৰ কৰিব নোৱাৰে, যদি কৰিব লগীয়াও হয় তেন্তে জিলাধিপতিৰ আগতীয়া অনুমতি সাপেক্ষেহে কৰিব পাৰিব।

(গ)—এতিয়ালৈকে গঠিত হোৱা ৪১ টা জনজাতীয় খণ্ড আৰু বেষ্টনীত প্ৰয়োগ কৰা হৈছে।

(ঘ)—জিলাধিপতি আৰু মহকুমাধিপতি সকলক চৰকাৰৰ এই ঘোষিত নীতি প্ৰয়োগ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

বি. জনজাতীয় গাওঁৰ বিজুলী যোগান।

শ্ৰীবিমল গয়াৰীয়ে সুধিছে :

১৩. মাননীয় শক্তি ( বিজুলী ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্তমান অসমৰ কিমান খন জনজাতীয় গাওঁত বিজুলী যোগান ধৰা হৈছে জনাবনে ?

(খ) বাস্কা ট্ৰাইবেল বেল্টৰ আমবাৰী, কাটনী গাওঁ, দীঘল দণ্ডা, বাংনাবাৰীৰ আৰু চপাগুৰী ট্ৰাইবেল বেল্টৰ গোলা গাওঁ, ভাল মানুহৰ ভিঠা আদি জনজাতি গাওঁত কিমান জনজাতি পৰিয়ালত বিজুলী যোগান ধৰা হৈছে আৰু যদি হোৱা নাই কিয় হোৱা নাই ?

(গ) বিজুলী যোগান ধৰা ক্ষেত্ৰত চৰকাৰে জনজাতি লোকক অগ্ৰাধিকাৰ দিয়াৰ কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰী এ, এম, মজুমদাৰ ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৩ (ক)—১৯৮৩ চনৰ ৩১ মাৰ্চলৈ ৮১৯ খন ভৈয়ামৰ জনজাতি গাওঁলৈ আৰু ৪১১ খন পাহাৰীয়া জনজাতি গাওঁলৈ বিজুলী যোগান ধৰা হৈছে।

(খ) উল্লেখিত গাওঁ কেইখনৰ ভিতৰত বাংনাবাৰী গাওঁতহে বিজুলী যোগান ধৰা হৈছে। আৰু সেই গাওঁত এজনহে জনজাতিয় গ্ৰাহক আছে। উল্লেখিত ওপৰোক্ত গাওঁবোৰ অহা বছৰৰ পৰা পৰ্য্যায়ক্ৰমে গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অন্তৰ্ভূক্ত কৰা হব।

(গ)—জনজাতি গাওঁবোৰলৈ বিজুলী যোগান ধৰিবৰ কাৰণে ট্ৰাইবেল চৱাপ্লেন ( Tribal Sub-Plan ) আৰু হিলপ্লেন ( Hill Plan ) আঁচনিত বিশেষ অগ্ৰাধিকাৰ দিয়াৰ আঁচনি চৰকাৰৰ হাতত নাই।

## Announcement From the Chair

Mr. Speaker—Question hour is over. There is an announcement. I hereby announce that Sarbashri Binoy Kumar Basumatari, Md. Hussain, Md. Tajamul Ali Laskar, Shri Kaigasong, Shri Ajit Chandra Boro and Shri Bimal Goyari have formed a Front known as United Minorities Front and requested me to accord recognition. The office bearers of this group are Shri Binoy Kumar Basumatari Leader, Md. Hussain Deputy Leader, Tajamul Ali Laskar General Secretary and Kaizasong Chief Whip. Since the front has substantially fulfilled the requirements for such recognition accordingly I recognise this front and accord the nomenclature of a group for the purpose of the business of the House.

I also hereby withdraw my recognition accorded to the United Democratic Front on 28th March, 1983 headed by Shri Afzalur Rahman as the strength of this group has fallen short of requirement due to resignation of the Members from this group. This is for information of the House.

Now, item No. 2.

## Calling Attention

Shri Sirajuddin—Sir, I beg to call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Nagarik" dated 16th June, 1983 under the Caption "তদৰ্থ মঞ্জুৰী প্ৰাপ্ত হাইস্কুলৰ শিক্ষকসকলৰ দুৰ্গতি।"

*শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, সাদিনীয়া 'নাগৰিক' কাকতৰ ১৬।৬।৮৩ তাৰিখৰ সংখ্যাত "তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত হাইস্কুলৰ শিক্ষকসকলৰ দুৰ্গতিৰ" বাতৰি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। সদনৰ জ্ঞাতাৰ্থে জনাব খোজো যে ৰাজ্যৰ বিভিন্ন ঠাইত চৰকাৰী আৰু ইতিমধ্যে চৰকাৰে প্ৰাদেশীকীকৰণ কৰা শিক্ষানুষ্ঠান গঢ়ি উঠিছে। যিহেতু চৰকাৰৰ বিত্তীয় সীমাবদ্ধতালৈ চাই এই সকলো শিক্ষানুষ্ঠানৰ দায়িত্ব চৰকাৰে একে সময়তে লোৱাটো সম্ভৱপৰ নহয়, সেই বাবে কিছুমান চৰ্ত্ত পূৰণ সাপেক্ষে এনে নতুনকৈ গঢ়ি উঠা শিক্ষানুষ্ঠান সমূহক নিজৰ পুঁজি টনকিয়াল কৰিবৰ বাবে তদৰ্থ মঞ্জুৰী দিয়াৰ ব্যৱস্থা চলি আহিছে। বৰ্ত্তমানলৈকে দি অহা তদৰ্থ মঞ্জুৰীৰ পৰিমান এনে ধৰণৰ—

(১) অষ্টম শ্ৰেণীলৈকে স্বীকৃতিপ্ৰাপ্ত হাইস্কুলৰ মাহিলি ৬০০ টকা।
(২) নৱম শ্ৰেণীলৈকে অনুমতি পোৱা হাইস্কুলৰ মাহিলি ৭০০ টকা।
(৩) দশম শ্ৰেণীলৈকে অনুমতি পোৱা হাইস্কুলৰ মাহিলি ৮০০ টকা।
(৪) দশম শ্ৰেণীলৈকে স্বীকৃত পোৱা হাইস্কুলৰ মাহিলি ১৫০০ টকা।

বৰ্ত্তমানে সকলো বয়বস্তুৰ মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত চৰকাৰী কৰ্মচাৰী

* Speech not corrected

সমূহৰ বেতন ও ভাট্টা বৃদ্ধি কৰা হৈছে। এনে বিবেচনাতে তদৰ্থ মঞ্জুৰী প্ৰাপ্ত হাইস্কুলসমূহত পৌন:পুনিক মঞ্জুৰীৰ হাৰ বঢ়োৱাৰ বিষয়টো চৰকাৰে ৰিবেচনা কৰিছে। চলিত ৰিত্তীয় বছৰত এই মঞ্জুৰীৰ হাৰ বৃদ্ধি কৰিবলৈ ব্যৱস্থা লোৱা হৈছে, প্ৰস্তাৱিত মতে অষ্টম মান শ্ৰেণীলৈ স্বীকৃতি প্ৰাপ্ত হাইস্কুলক মাহিলি নিম্নতম ৮০০ টকা আৰু দশমমান শ্ৰেণীলৈ স্বীকৃতিপ্ৰাপ্ত হাইস্কুলক সৰ্ব্বাধিক মাহিলী ২০০০ টকালৈ মঞ্জুৰী দিয়াৰ বিবেচনা কৰা হৈছে।

বাতৰিত উল্লেখকৰণ মতে বৰ্ত্তমানৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় শিক্ষামন্ত্ৰীহৈ থাকোতে স্কুল বিলাকৰ তদৰ্থ মঞ্জুৰী বৃদ্ধি কৰাৰ আৰু ১৯৭৯ চনলৈকে মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত হাইস্কুল বিলাকৰ চৰকাৰীকৰণৰ আশ্বাস বৰ্ত্তমান চৰকাৰে কাৰ্য্যকৰী কৰিবৰ বাবে আৱশ্যকীয় ব্যৱস্থা হাতত লৈছে। মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা ১৯৭৮ আৰু ১৯৭৯ চনলৈ স্বীকৃতিপ্ৰাপ্ত হাইস্কুল সমূহৰ চৰকাৰী কৰণৰ বাবে তথ্যাদি সংগ্ৰহ কৰি ব্যৱস্থা লোৱা হ'ব।

শ্ৰীচিৰাজুদ্দিন—অধ্যক্ষ মহোদয়, এই তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত হাইস্কুল কিছুমানে আজি ২০ বছৰে কোনো চৰকাৰী নিয়ম-নীতি মানি চলা নাই। আজি ইমানদিনে অসমত এনে ধৰণৰ বহুতো স্কুলত যি সকল শিক্ষকে কাম কৰি আছে তেওঁলোক অতি দুৰ্কপলীয়া আৰু হতভগীয়া। মই নিজে এখন ভেনচাৰ স্কুলত ১৫ বছৰ কাম কৰিছিলো আৰু সেই কাৰণে এই ক্ষেত্ৰত শিক্ষক সকলৰ যি অভিজ্ঞতা সেই অভিজ্ঞতা মোৰ আছে। গতিকে শিক্ষামন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাও এই শিক্ষক সকলৰ যিবোৰ দুখ যাতনা সেইবোৰ অতি সোনকালে নাইকীয়া কৰিব।

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষামন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে ১৯৭৮-৭৯ চনৰ পৰা যিবোৰ স্কুল তদৰ্থ ভাবে চলি আছে সেইবোৰ সম্প্ৰতি

লোৱা হব আৰু সদস্য জনৰ স্কুলখনো ইয়াৰ ভিতৰত সোমাব।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি তৃতীয় শ্ৰেণী স্কুলৰ কাৰণে ৮০০ টকাকৈ মঞ্জুৰী দিয়াৰ কথা কৈছে ৬ষ্ঠ শ্ৰেণীৰ স্কুলৰ কাৰণে এই টকা বৃদ্ধি কৰিব নেকি ?

শ্ৰীমুকুট শৰ্ম্মা—(শিক্ষামন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ৮ম মান শ্ৰেণীৰ কাৰণে ৬০০ টকাৰ পৰা ৮০০ টকা, ৯ম মানৰ কাৰণে ৮০০ পৰা ১০৫০ টকা, ১০ম মানৰ কাৰণে ৮০০-১২০০ টকা আৰু ৯ম-১০ম মানৰ কাৰণে ১৫০০ পৰা ২০০০ টকা কৰা হৈছে। গতিকে সেই হিচাব মতে গোটেই খিনি ইয়াৰ মাজত সোমাই যাব।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ—অধ্যক্ষ মহোদয়, মোৰ আচল প্ৰশ্ন হৈছে যিবোৰ চিক্স ক্লাচ হাইস্কুল সেইবোৰৰ মঞ্জুৰী টকা বৃদ্ধি কৰাৰ ব্যৱস্থা হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্ত্তাই কোৱাৰ দৰে আজিকালি চিক্স ক্লাচ স্কুল নাই। ৫ম ৰ পৰা ৭ম আৰু ৮ম ৰ পৰা ১০ম এই দুটা ভাগত স্কুলৰ মঞ্জুৰী দিয়া হয়।

শ্ৰীপূৰ্ণ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৮-৭৯ চনৰ পৰা যিবোৰ স্কুল ৰেগুলাৰাইজ কৰা হৈছে সেই আটাইবোৰ প্ৰভিনচিয়েলাই কৰা হব নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষামন্ত্ৰী)—সেইটো পৰ্য্যায়ক্ৰমে বিবেচনা কৰা হব।

## Report of the Business Advisory Committee

Mr. Speaker—Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory

Committee on 22nd September, 1983 at Dispur. The Committee after discussion decided that the resumed Budget Session of the Assembly should adjourn sine die after conclusion of the business fixed for today the 23rd September, 1983. I hope this has the approval of the House.

( Voices – Yes, yes .... )

Private Members Resolution

শ্ৰীহেমেন দাস—চাৰ মই এটা প্ৰস্তাৱ উত্থাপন কৰিব খুজিছো—This House recommends to the Government that the executive order for collecting revenues by the Government from the job seekers and unemployed youths as examination fees for an application to a post or service under the State Government be abolished forthwith.

চাৰ, আমাৰ দেশত কৰ সংগ্ৰহৰ ব্যৱস্থা আছে। যিয়ে দিব পাৰে তেওঁলোকৰ পৰা সংগ্ৰহও কৰিব। কিন্তু আজি এটা পদ্ধতি চলি আছে। যিসকল যুৱকে চাকৰি বিচাৰি আছে তেওঁলোকে চাকৰিৰ দৰখাস্তৰ লগত জৰিমনা দিবলগীয়া হৈ আছে। সেই কাৰণে মই কৈছো এইটো এটা আন এমপ্লয়ড টেক্স। অথচ চৰকাৰে ইতিমধ্যে নিবনুৱা যুবকৰ ওপৰত গুৰুত্ব উপলব্ধি কৰি একাংশ যুবকক নিবনুৱা ভাট্টা দিয়াৰ ব্যৱস্থা কৰিছে। ইতিমধ্যে কাৰ্য্য ব্যৱস্থা আৰম্ভ কৰিছে। আমাৰ দেশত যিসকল চাকৰি প্ৰাৰ্থী আছে তেওঁলোকৰ পৰা চাকৰিৰ দৰখাস্তৰ লগত ধন সংগ্ৰহ কৰা পদ্ধতিতো উঠাই লবলৈ প্ৰস্তাব আনিছো। এইটো

অত্যন্ত প্ৰয়োজনীয় হৈছে। যদিও এখন দৰখাস্তৰ লগত ২ টকা দিব-লগীয়া হয় তথাপিতো গাওঁৰ ল'ৰাৰ কাৰণে এই দুটকাও বহুত বেচি। কাৰণ এজন ল'ৰাই বৰপেটাত দৰখাস্ত দিবলৈ যাওঁতে অহা-যোৱা কৰোতে প্ৰায় ১০।১৫ টকা খৰচ হৈ যায়। কাৰণ বৰপেটাত ফৰ্ম আনিবলৈ যাওঁতে এদিন লাগিব, ট্ৰেজাৰী চালান দিবলৈ এদিন লাগিব এইদৰে প্ৰায় ৪০।৫০ টকা খৰচ হৈ যায়গৈ। ফলত বহুতো ল'ৰা-ছোৱালীয়ে আজিকালি দৰখাস্ত দিবলৈ বন্ধ কৰিছে। মই এটা উদাহৰণ দিবলৈ বিচাৰিছো—আমাৰ তাত এজন ল'ৰাক কৈছিলো ষ্টেট বেঙ্কত বিজ্ঞাপন দিছে তুমি কিয় দৰখাস্ত দিয়া নাই। তেতিয়া ল'ৰাটোৱে কান্দি কান্দি কলে যে মই টকা ক'ত পাওঁ বেঙ্কৰ দৰখাস্তৰ লগত যিখিনি পইচা জমা দিব লাগে। এই ফিজখিনিৰ কাৰণে দৰখাস্ত জমা দিব নোৱাৰো। চৰকাৰৰ ওচৰত আবেদন কৰিছো এনেদৰে পইচা সংগ্ৰহ কৰা ব্যৱস্থাতো উঠাই লব লাগে।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই যিটো প্ৰস্তাব উত্থাপন কৰিছে সেইটো বিবে-চনাৰ যোগ্য। আমাৰ ৰাজ্যখনত নিবনুৱাৰ সংখ্যা বাঢ়ি আহিছে আৰু এই সকল নিৰনুৱাক কেনেকৈ সংস্থাপন কৰিব পাৰি তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে। ইতিমধ্যে আমাৰ যিসকল আন-এমপ্লয়ড গ্ৰেজুয়েট আছে তেওঁলোকে তিনি বছৰ পৰ্য্যন্ত চাকৰি পোৱা নাই আৰু ৩০ বছৰ বয়সলৈকে নিবনুৱা যুবকক নিবনুৱা ভাট্টা দিবলৈ ঠিক কৰিছে আৰু এতিয়া এই বিষয়টো বিবেচনা কৰি চাবৰ কাৰণে ব্যৱস্থা লোৱা হব। অধ্যক্ষ মহোদয়, আমাৰ ইয়াত নিবনুৱা সকলে যাতে চাকৰিৰ সুবিধা পায় তাৰ কাৰণে ১৯৭২ চনতে চৰকাৰে চাক-

* Speech not corrected

ৰিৰ বয়স ২৫ বছৰৰ পৰা ৩০ বছৰলৈ সীমা বঢ়াই দিয়ে। এতিয়া এইবিষয়ে কেতবোৰ ফাইনেনচিয়েল ইম্প্লিকেচন আছে। মই এইটোৰ বিৰোধীতা কৰা নাই। এইটো এটা পুৰণি ব্যৱস্থাই চলি আছে। আজিৰ দিনত চাকৰি পোৱাতো সহজ হৈ থকা নাই। একোজন যুবকে ১০।১৫ ঠাইত চাকৰি বিচাৰি ট্ৰেজাৰী চালান দিবলগীয়া হয়। এই গোটেই-খিনি কথা চৰকাৰে নিশ্চয় বিবেচনা কৰি চাব। এইক্ষেত্ৰ অৱশ্যে কিছুমান ফাইনেনচিয়েল ইমপ্লিকেচন আছে। সেইবিলাক আমি চাব লাগিব আৰু কিছুমান পদ্ধতি আছে, নিয়ম-নীতি আছে এই গোটেই বিলাক কথাই চাব লাগিব। মাননীয় সদস্য গৰাকীক মই আশ্বাস দিব বিচাৰিছো এই বিষয়টো চৰকাৰে বিবেচনা কৰিব আৰু অতি সোনকালেই সিদ্ধান্ত লব। চৰকাৰে এনে প্ৰস্তাবৰ কেতিয়াও বিৰোধীতা নকৰে।

শ্ৰীহেমেন দাস—মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা যি আশ্বাস পালো আৰু আশা ৰাখিছো যে তেখেতৰ আশ্বাস অনতি পলমে কাৰ্য্যকৰী হব। এই অৱস্থাত মই প্ৰস্তাৱটো উঠাই ললো।

Mr. Speaker—Has the Hon'ble Member leave of the House to withdraw the Resolution?

(Voices—Yes, Yes)

(Resolution is withdrawn.)

GOVERNMENT RESOLUTION

*Shri Dhani Ram Rongpi (Minister)—Sir, I beg to that

* Speech not corrected

whereas the Government of Assam was satisfied that a situation had arisen in which the administration of the North Cachar Hills Autonomous District Council could not be carried on in accordance with the provisions of the Sixth Schedule to the Constitution of India and accordingly in exercise of the powers conferred on him under paragraph 16 (2) of the Sixth Schedule to the Constitution of India had assumed to himself the administration of the said North Cachar Hills Autonomous District Council as well as all the functions and powers vested in or exercisable by the North Cachar Hills Autonomous District Council, vide Government Notification No. HAD 107/83/A dated 26-7-83.

Now, the Assam Legislative Assembly hereby resolves that the said order of the Government No. HAD. 107/83/A dated 26-7-83, notfied under paragraph 16(2) of the Sixth Schedule to the Constitution of India, assuming to himself the administration of the North Cachar Hill Autonomous District Council including all functions and powers vested in or exercisable by the said District Council, be approved as provided for under

---

* Speech not corrected

paragraph (16)3 of the Sixth Schedule to the Constitution.

*Shri Kaizasong--Mr. Speaker Sir, On this, I want to say something about North Cachar Hills District Council. Sir, we have to autonomous District viz. N-C Hills District Council and Karbi Anglong District Council. Sir, why the N-C Hills District Council alone has been taken over by the Govt. and inspite of so many quarrels within the Karbi Anglong District Council, no steps for its taking over has been taken by the Govt ? There is something behind it. Sir, before taking over of the N-C Hill District Council, it was run by the Janata Government. After the election in Assam, the Congress (I) Government tried to capture the power in the North-Cachar Hills. As such, there was a fight among the members in the Council.

Now the present Government have resolved to hand over the functions of the District Council to the Governor depriving the public facility. In Karbi Anglong, the Autonomous District Council is running. Since 1977, there was one electroral roll prepared. That was valid and genuine. On that basis, the MLA,

Speech not corrected

MP elections were held. But by this time, this electoral roll was regarded as invalid as so many names were deleted. So, 28,0573 voters' names have been deleted. In the case of Karbi Anglong, the District Council is still running Now the District Council have tried to amend the Constitution so that the voters included in the Karbi Anglong electoral roll should have also the right to vote in the N. C. Hills.

*Shri Dhani Ram Rongpi (Minister, Hill Areas)—I have brought the Resolution for taking over the powers of the Autonomous District Council of N. C. Hills. The hon'ble member has referred the electoral roll which is irrelevant.

*Shri Kaijasong—Through the District Council of Karbi Anglong is running, the administration of N. C. Hills District Council fails to operate. I will compare it. Earlier, the N. C. Hills District Council was run by the Janata Party. The ruling party was then trying to create some crisis. In the circumstances, both the parties were unable to run the administration and they compelled to submit to the emergency power of the Governor. Actually, it is unconstitutional. The

---

Speech not corrected

other way is to give the opportunity to the N. C. Hills District Council to be run by the public. Instead of holding the elections in N. C. Hills, the present Govt. is trying to dissolve the District Council of N. C. Hills which is not the case of Karbi Anglong District Council which is under extended term. The difference is there. So, one District Council has been unable to run the administration due to pressure, the other District Council, i. e. Karbi Anglong, has been allowed to continue its function by the ruling party. Inspite of so many misdeeds committed by the Karbi Anglong District Council, the present Govt. have overlooked these and have allowed the administration to continue its function. That is the difference. So, I do not like any difference should be there in a democratic country. I would also like that the N. C. Hills District Council should be in the hands of the public and not in the hands of the Governor. In N. C. Hills, the politicians of Congress (I) converted the sitting MLA and brought him to their side. As a result, there was a problem created in N. C. Hills. So, in a democracy, there should not be any discrimination. With these few words, I conclude my speech.

*Shri Binoy Kumar Basumatary—Sir, this this Sixth Schedule

---

Speech not corrected

was created due to particular situations and problems that existed in the Hill areas of the State, and the very purpose of the Sixth Schedule or the Autonomous District Council are to preserve the tribal character, to encourage the tribal tradition and to protect the tribals from exploitation. Sir, this is an instance which clearly proves that in Assam the working of Sixth Schedule is not working proper, and that the Sixth Schedule has failed to protect interests of the Hill tribals of the State. Sir, when study the statement of reasons for issuing an order as is placed before us, we get the picture of a very demoralising situation in the District Council of N. C. Hills. First, Sir, it has referred to Rule 36(3) of the Assam Autonomous District (Constitution of the District Council) 1951. At para 2, it goes on to elucidate the goings on and the happenings that actually took place on 23rd July, 1983. Sir, then in paragraph 3, it explains why this Council could not hold its session to transact business. In paragraph 4, it says why this Council could not act and this Council could not hold its session to transact the business. In para—4 it is stated—'the Governor was satisfied that a situation in the N. C.

Speech not corrected

Hills has warranted that the power of administration should be taken by him, and in accordance with para 5 the Governor has taken and decided in evaluating; it has referred to clause 16 of the Sixth Schedule. What this clause 16 ? Clause 16 of the Sixth Schedule means a dissolution of a district council or regional council and now they have referred to clause 16 - sub-clause 2. Sub-clause 2 says—if the Governor is satisfied that a situation has arisen in which the administration of a district council or region cannot be carried on in accordance with the provisions of this Schedule, he may by public notification assume himself all or any of the powers and functions exercisable by the district council or region etc. etc. Even the reference to this clause of Sixth Schedule is inappropriate and very very wrong. If we are to act and go by the Act in its entirity and we go gradually from step by step, then Sir, before Rule. 16, rule 14 and 15 are there. The Clause 16 states dissolution about the district council or region. It is apparent that they should have acted according to Rule or clause 14 of the Sixth Schedule which states 'before doing anything, a Commission is to be constituted'. Clause 14 states—Governor may act any time

Speech not corrected

and appoint a Commission to examine and report on any matter specified by him realing to the administration of the Autonomous district or autonomous region in the State including matters described in C. D. E.....'. What does it say in regard to sub-clause B ? It says about the need for a new or special thing in respect of district or region. Sir, if the district council in the N. C. Hills has failed to convene programme and transact any business, the Governor should have initiated measures under clause 14 of the Sixth Schedule first and should have instituted a Commission and only on the recommendation of the Commission the Governor should have taken some action. Sir, they have taken this step to violate the provisions of the Constitution. Sir, this is the way how this Government has decided to act whil violating the provisions of the rules and the Constitution. We have every fear that this Government is not capable of honouring any democracy and parliamentary system in the country. Again if we refer to Art. 244 of the Constitution it specifies regions and powers that the district council may enact and act in administering all these areas. My friend and my colleague stated that the reason for dissolution is not recommended as the party in

Speech not corrected

power and the Ruling party is afraid to face the people in N. C. Hills. They are afraid to order any election. As a result of that they have got their ways open for horse-trading. The only reason that the government has decided to assume that power is to buy councillors or opposition groups which may be Janata or any one. The only reason why this government did not dissolve the district council in N. C. Hills is to deal in horse trading. This horse-trading has eaten up and eroded the basic principles of democracy in the country. Unfortunately our House during the last 5 years has suffered. As a result this district has suffered and as a result those people who were in Janata are now sitting on the other side i. e., treasury benches, smiling and looking at me. I know how they acquire power which presents a sad spectacle, and this is the way how greatest democracy in the world acts; this speaks volume of our national character which this House has been discussing yesterday. So, Sir, I wish to declare that this assumption of power by the Governor in N. C. Hills is detrimental to working of democracy in the State as well as in the country.

---

Speech not corrected

I request the ruling party in power to come clean. Why do you want to run away from the people ? Why don't you face people and approach people ? You will get many of our people and you will get you rparty workers in the Hills also. If you work for the progress and development of our people you will get enough and majority of our people, as in the other parts of the State. Tribal areas are areas where tranquility and democratic process still prevails and there was no disturbance during the last February election. Only problems of murder, arson and intimidation are going on the other parts of the State, in the plains areas. Why do you want to take the help of tribal areas of the Plains to serve your own purpose in the Hills which is tranquil and where people want democracy. Their rights are to be restored to them. Why are you afraid to face the people and the situation ? Why are you utilising the problems of the State, probably in the Plains to serve your purpose in the Hills ? This is something very deplorable. The Hon. Speaker is requesting me to reduce my objections.

Mr. Speaker – No, no. I am not asking the hon. member

---

Speech not corrected

to reduce but I am asking the hon. member not to say 'you'.

Shri Binoy Kumar Basumatary—Thank you Sir. Another instance as I have said, how the democracy and partiamentary practices in this country has eroded. Sir, actually the country or the Central leadership has very honest intention for development of the tribals. But Sir, these people here in the State, be hill tribals or plains tribals, they are being used like pupets with a string and any one who want to use them as he like will pull the string. This is what is happening in the Sixth Schedule Area. This Government has come begging this resolution to be approved by this House. If the ruling party has any concern that parliamentary and democratic process should take root in the country and particularly in the hills where the people are uneducated and ignorant they should come as per provisions of the Constitution. They should have taken the responsibility to conduct the election. Sir, these are the reasons why the hills people, even if they are conceded Sixth Schedule facilities, they are demanding a separate State. The Hon'ble Minister who has moved this Resolution is the Chairman of the Implementation Committee for separate State in the Hills. Sir, I do

not understand why in one hand he should be the the Chairman of Separate State Implementation Committee and on the other hand he should be a Minister of the ruling party and that he should be a person to move this resolution which is seeking to undermine the principles of democracy in the State. He is being used like a puppet. He should not have come such a resolution. He should have said 'we want election;' he should have said 'our people will decide whether they like Janata or they like Congress(I)'. But instead of that he has made himself a very figure which may be rediculed upon by moving this resolution: It says "The session started at 11.00 A.M. on 23.7.83. The Chairman presided. At that time there were before him a motion of no-confidence against the Chief Executive Member and two resolutions for removal of the Chairman and Deputy Chairman. One Executive Member raised a point of order seeking time for settling matters amicably" between the two warring parties which are disputing for powers and it clearly says they were trying "for forming a united Congress (I) Lagislature Party, but they failed. The Congress (I) failed to acquire majority in the District Council. That is why they want time. They will go to Janata members and then there will be so many other.

things so that they joined the ruling party." Thereupon the Chairman adjourned the session to 10.8.83, This is what happened. It is said in the statement "There after the Chairman and nine other members left. Then the remaining 15 members including the Deputy Chairman met under the Chairmanship of the Deputy Chairman and passed a motion of no-confidence against the Chief Executive Mamber and the resolution for the removal of the Chairman." So the Governor has stopped all democratic process by dislodging the members and by this resolution it seeks to favour those who do not have majority in the Council. This Governor has again encouraged to keep the people who do not have majority.

Mr. Speaker—In this House we cannot criticise the Governor.

Shri Binoy Kumar Basumatari—I am criticising his action because this resolution is brought on behalf of the Governor. By this action nothing can be settled. Again the Deputy Chairman adjourned the session till 9 A. M. after a day on 25.7.83 for electing the new Chief Executive Member and a new Chairman fixing 12.00 noon for filing the nomintion and 2 p. m. for withdrawal. Then in paragraph 3 it is said that there was no justification for

the Chairman to adjourn the compulsory session without transacting the business. Therefore, Sir, it is very much apparent reason why Government has decided to act through the Government. They are not able to face the people in N.C. Hills; they are afraid to hold the election as per provisions of the Constitution. Not only that, I hold them guilty of misrepresenting the provisions of the Constitution of India. Therefore, Sir, we, from the opposition side wish to move that this resolution be disapproved. But at the same time we know that our wish will not help us because the ruling Congress (I) has a brute majority and our move to disapprove the resolution will be rejected. But we take it as an instance as to how the ruling party undermine the working of parliamentary and democratic systems in the country. Therefore, Sir, I wish to appeal to members in the treasury benches that since they have come here and are sitting together here by democratic process they should also encourage the people in the Hills to act through the process of democracy and let them have their own people whom they choose to rule them. Therefore, Sir, I move that this resolution be denied passage in the Hous.

Thank you Sir.

*Shri Dhani Ram Rongpi (Minister)—Mr. Speaker, Sir, regarding the resolution that I have brought in this flour of the House, there has been a thorough discussion and various Hon. members put forward their views in favour and against the resolution. The reasons of taking over the functioning of this District Council are mainly the N.C. Hill District Council was not conciding in the democratic way. According to the provision of the Constitution it clearly says that if there is any difficulty or any circumstance arise which hamper the functioning of the District Council the power and functioning of the District Council could be ceased and the functioning of the District Council could be taken over by the Governor. Hon. Members Shri Kaizasong has referred to the functioning of the District Council of Karbi Anglong about the electoral roll and some other matters but this resolution has no relation or connection with the points which he raised. These two District Councils are separate Councils and they are not dependent on each other. Therefore, we cannot mixup this resolution with the activities of the Disctrict Council of Karbi Anglong. Again Hon. Member Shri Binoy Basumatari has referred to the Clause 14 of the Constitution of

---

*Speech not corrected

the 6th Schedule. This refers only when there are anomalies in the day to-day functioning of the District Council, and if the Government thinks and desires that such commission is necessary and according to that provision that commission could be set in. Now we have taken the administration of the District Council of NC Hills according to the provision of 16(2). Here it is clearly stated that when democratically a party is not in majority and the administration cannot run smoothly Government can take over the functioning of the Council. On 23-7-83 there was session summoned by the Chairman and there were certain agenda items. The Chairman, who became afraid of the no confidence motion, adjourned the Council's meeting. The Chairman could knew that there was a no-confidence motion against him and against some Executive Members he undemocratically without transacting any business adjourned the meeting. The Chairman, just to avoid the no-confidence motion, has adjourned the meeting. So the taking over of the administration of the District Council was done democratically. I appeal the House to approve this.

Shri Binoy Kumar Basumatari—Sir, one clarification. The

---

Speech not corrected

Minister has stated that the ruling party was in majority, why the Government could not insist on forming a workable District Council. If the ruling party was in majority then there was no question of allowing the Governor to take over the functioning of the District Council. They could have dimed it and could have taken the responsibility. Actually there was no majority. If there was majority they should have just bull-doged and should have instituted a group and could have taken over the administration of the District Council. Sir, this is a very serious matter and it is a violation of the constitutional provision. This is something undemocratic and against the norms of the constitution. The Government should explain this.

Shri Dhani Ram Rongpi ( Minister )—Sir, the Congress I has presumed that they have majority, that is why they brought the no-confidence motion.

Shri Binoy Kumar Basumatari—If that is so they could have formed a group and could have taken over the administration. Why so much of time was required them.

Mr. Speaker—Now I put the Resolution and the Resolution

is that whereas the Governor of Assam was satisfied that a situation had arisen in which the administration of the North Cachar Hills Autonomous District Council could not be carried on in accordence with the provisions of the Sixth Schedule to the Constitution of India and accordingly in exercise of the powers conferred on him under Paragraph 16(2) of the Sixth Schedule to the Constitution of India had assumed to himself the administration of the said North Cachar Hills Autonomous District Council as well as all the functions and powers vested in or exercisable by the North Cachar Hills Autonomous District Council, vide Government Notification No. HAD. 107/83/A, dated 26.7.83.

Now, the Assam Legislative Assembly hereby resolves that the said order of the Governor No. HAD. 107/83/A, dated 26.7.83 notified under paragraph 16 (2) of the Sixth Schedule to the Constitution of India, assuming to himself the administration of the North Cachar Hills Autonomous District Council including all function and powers vested in or exercisable by the said District Council, be approved as provided for under paragraph 16 (3) of the Sixth Schedule to the Constitution."

( The Resolution was adopted by voice vote )
The House stands adjourned sine-die.

## Adjournment

The House then rose at **10.59 a. m.** and stood adjourned sine-die

**P. D. Barua**
Secretary
Assam Legislative Assembly

Dated, Dispur
the 23rd September, 1983